# তা লা য় পা ৰ

সম্পাদক : নির্মল কোচ।

গাৰোপাহাৰ আৰু ইয়াৰ থলুৱা জনজাতিৰ কৃষ্টি-সংস্কৃতিৰ সমন্বয় ধৰ্মী একমাত্ৰ আলোচনী।

প্ৰথম বছৰ :: প্ৰথম সংখ্যা

১৯৮৮

Shri Jogeshwar Koch
(Office peon)
PWD (B.R.C) Mankachar
Sub-Division.

OKDISCD

## ॥ সূচীপাত ॥

১। সম্পাদকীয় ৩

**কবিতা :**

২। মোৰ দেশ প্ৰেম — খলিন কোচ। ৫
৩। অনুভৱ — মৃণাল শৰ্ম্মা। ৬
৪। গীতাঞ্জলি — জনাৰ্দন হাজোৱাৰী। ৭
৫। অলকানন্দা — প্ৰসন্ন শৰ্ম্মা। ৮

**প্ৰবন্ধ :**

৬। কোচ জাতিৰ অতীতত এভুমুকি — শিৱেন্দ্ৰ নাৰায়ণ কোচ। ৯
৭। হাজং : এটি পৰিচয় — পৰেশ হাজং। ২৫
৮। জনজাতি : এটি পৰ্য্যালোচনা — চক্ৰধৰ বড়ো। ২৯
৯। ফপেৰাজা আৰু নাৰীপলা — খলিন কোচ। ৩৩

**গল্প :**

১০। সিপাৰে যৌৱন — নিৰ্মল কোচ। ৩৬
১১। প্ৰত্যাবৰ্ত্তন্ — জগদীশ পাটগিৰী। ৪১

'তালায় পাৰ'ৰ পৃষ্ঠপোষক সকল :—

১। শিৱেন্দ্ৰ নাৰায়ন কোচ, তুৰা।
২। ইন্দ্ৰমোহন কোচ, তুৰা।
৩। স্বাধীন কোচ, তুৰা।
৪। খলিন কোচ, গাৰোডৱা।
৫। খেলা ৰাম কোচ, তুৰা।

---

**অহা সংখ্যাৰ আকৰ্ষণ ঃ-**

কেবাটাও তত্বগধুৰ প্ৰৱন্ধ - পাতি, গল্প আৰু কবিতা তথা এক বিশেষ শিতান থাকিব— **'সুকীয়া দোৱান'** ।

**'তালায় পাৰ'** পঢ়ক আৰু প্ৰৱন্ধ-পাতিৰে সহায় কৰক ।

যোগাযোগৰ ঠিকনা ঃ—
N. KOCH
Editor,
'Talay Paar'
C/o. D. A. O. Tura
West Garo Hilis, Meghalaya,

---

# সম্পাদকীয় ঃ—

"জা' কচ' ৰং
নাৰং পাৰ ঘেনেক
পাৰি টং—
ঝুচাই মুং তালিব'
তালি আৰা তালি ।"—

অতীব পুৰণি উক্ত কোচ গীত ফাঁকি আৰু আজিৰ কোচ সমাজৰ মাজত এক বিৰাট ফাঁট বিদ্যমান। গীত ৰচোঁতাজন এজন মহান দাৰ্শনিক আছিল,— যাৰ দূৰদৃষ্টিত ভৱিতব্য সুন্দৰভাৱে প্ৰকট হৈ পৰিছে। অকল কোচেই নহয়, গাৰো পাহাৰৰ অন্যান্য জনজাতি গাৰো, কোচ, হাজং, কছাৰী, ৰাভা, মান ইত্যাদি লোক সকলৰ ক্ষেত্ৰটো উক্ত গীতফাঁকিৰ ব্যাখ্যা সমানে প্ৰযোজ্য।

এতিয়া চোৱা যাওঁক, গীত ফাঁকিত নো কি আছে ?— জঙ্গলাকীৰ্ণ এই গাৰোপাহাৰ। ইয়াৰ আদিবাসী সকল যেন তৰহে - তৰহে বন্যভূমি আমোল মোলাই থকা 'তালায় পাৰ'— অসমীয়াত বনৰীয়া ফুল। যি ফুল পাহিবোৰৰ মৰহি যোৱাৰ ভয় গীত ৰচোঁতা দাৰ্শনিক জনৰ গীতত করুণভাৱে প্ৰকাশ পাইছে। তাৰৈ কাণসাৰ দিয়াৰ সময়েৰা এতিয়া কিমানৰ আছে ?

—প্ৰসঙ্গক্ৰমে কব পাৰি, গাৰোপাহাৰ আৰু ইয়াৰ আদিবাসী জনজাতি সকল স্বকীয় বৈশিষ্টৰ প্ৰাচুৰ্য্যৰে পৰিপূৰ্ণ। ভূ-তাত্বিক সকলৰ মতে গাৰোপাহাৰ গণ্ডৱানাৰ মাটিৰেই একাংশ। গতিকে এই মাটি পৃথিৱীৰ বয়সৰ সমানেই পুৰণি। ইয়াৰ সুউচ্চ পাহাৰ শৃঙ্গ, আপুৰুগীয়া অৰণ্যানি, জীৱজন্তু, চৰাই-চিৰিকটি, লাস্যময়ী স্ৰোতস্বিনী আৰু প্ৰতিটো বিশালাকায় প্ৰস্তৰ খণ্ডই যেন গাৰোপাহাৰৰ প্ৰাচীনতা বা বুৰঞ্জীকে সোঁৱৰায়,— সেই বুৰঞ্জী ইয়াৰ আদিম অধিবাসী সকলৰ প্ৰাণ-প্ৰাচুৰ্য্যৰে জীপাল বিপদ সঙ্কুল অতীত জীৱনযাত্ৰা আৰু সংগ্ৰামৰ

OKDISCD

বুৰঞ্জী। আনকি ইয়াৰ অলিখিত বুৰঞ্জীও লুকাই আছে ইয়াৰ আদিবাসী সকলৰ ভাষা অথবা দোৱানত। "Their language is their history." (W. Garey ; The Garo Jungle Book : Page 2) ভূ-তাত্বিক, নৃতাত্বিক আৰু ভাষাবিদ সকলৰ গৱেষণাৰ আঁৰ ফাঁলি এদিনাখন যে এই সকল জনজাতিৰ এক মহান ইতিহাস ওলাই নপৰিব তাৰ কোনো নিশ্চয়তা নাই।

তালায় পাৰে সেই দিনলৈ আকুল উৎকণ্ঠাৰে বাট চাই থাকিব। সেই দিনলৈ তালায় পাৰক জীয়াই ৰখাৰ দায়িত্ব আপোনালোকৰ হাতত অৰ্পণ কৰি আজিলৈ সামৰিছোঁ!— প্ৰীতিৰে—

ভবদীয়,
নিৰ্মল কোচ
সম্পাদক,
তালায় পাৰ।

ভুবা,
২৭-৩-৮৮ ইং

# মোৰ দেশ প্ৰেম

খলিন কোচ

এই দেশ মোৰ দেশ সোণৰ ভাৰত।
মই এই ভাৰতৰে মানুহ ;
মোৰ দেশক মই ভাল পাওঁ
গাওঁ মই দেশ প্ৰেমৰ গান।
এই দেশৰ মাটিতে গঢ়ি উঠা
অতি মহান ভগবত প্ৰেম
শাশ্বত সনাতন ধৰ্ম-মোৰ ধৰ্ম।
আৰু, মোৰ এই মৰমী দেশৰ
নানা জাতি-উপজাতিৰ মানুহ বোৰ,
বৈ যোৱা নৈ-উপনৈ বোৰ,
সেউজীয়া ধাননি, বননি আৰু পাহাৰবোৰ
সকলোকে মই ভাল পাওঁ।
এই চেনেহী জননী ভাৰত
মোৰ ওপজা ঠাই ;
মোৰ গাওঁ, মোৰ ঘৰ, এই মাটি, এই দেশ-
মোৰ তেজে-হাড়ে সম্পৰ্ক
এই সকলোৰে স'তে।
জনম লভিছোঁ মই
এই দেশৰ সোণ বুলোৱা মাটিতে ;
আৰু, মৰিমগৈ এদিন জানা
চেনেহৰ সপোন ৰচা
এই দেশৰ মাটিৰ মাটিতে।



OKDISCD

# অনুভৱ

মৃণাল শৰ্ম্মা

॥ এক ॥

চকু মেলিলেই দেখো
এজাক অশ্বাৰোহী মোৰ বুকুৰেদি
দেওঁ দি দি যায়,—
মৰহি গছকি যায় এবুকু সপোন।
বুকু চুই যায়
গুমগুমায়, উবুৰি খায়
বুকুৰ এসোতা তেজ
এজাক অস্ফুট গুমুনিয়াহ
চকু মেলিলেই দেখো
এজাক নগ্ন অশ্বাৰোহী মোৰ বুকুৰেদি
দেওঁ দি দি যায়।—

॥ দুই ॥

কলিজাত গছক অনুভৱ হ'লেই
আলোড়িত হয় বুকুৰ কামিহাড় বোৰ,
শিল বৰষুণৰ দৰে ছিটিকি পৰে
কলিজাৰ কেঁচা তেজবোৰ।
হাড় কঁপোৱা জাৰতো
দপ দপকৈ জ্বলি উঠে,
বুকুৰ জুইকুৰা
নৈঃশব্দ বেদনাত।



# গীতাঞ্জলি

জনাৰ্দন হাজোৰাৰী

॥ এক ॥

(১)

এই ছিম্‌ছাং
দেখিছনে বাৰু নাই ?
নক্রেকে তোলে'যে ব' লাগি চায়
কি লাজুক নিমাতী ৰূপহী অ' তই
আছ বই লাজতে তলমূৰ কৈ ॥

(২)

বনছম গিৰিয়ে চা জোকায়
তই বুজিছনে বাৰু নাই
কি নিৰ্ব্বাক অ ৰূপহী
আছ বই লাজতে তলমূৰ কৈ ॥

(৩)

ৰংৰেংগিৰি হৈ তুৰাৰ পথত
গান'লে হাঁহি মোক কয়
নক্রেকে হেনো তাইক কলে এদিন
সি তোক মনে মনে বৰ ভাল পায়॥

॥ দুই ॥

মেঘৰে দেশৰে মৰমী হিয়াৰে
প্ৰীতিবোৰ বাটকুৰি আনিছোঁ যে বাই
অ' দূৰ দেশৰে বন্ধু, তোমালৈ ॥
জিৰি জিৰি জিৰি ৰূপালী নিজৰাৰ
কুলু কুলু প্ৰেমৰে গান
ভৰ ফাগুনৰ উতলা বতাহত
পাইনৰ লাজুকী তান॥ প্ৰীতিবোৰ············ ॥



OKDISCD

অনুভৱে দিব মাথো প্ৰীতিৰ খবৰ
'নংক্ৰেম' 'ছিমছাং' বিছিয়েম'ৰ
তুমি জানো বুজা ভাষা 'উমক্ৰেন'ৰ
আকুল আৱাহন ' ছিলং পিক'ৰ ?

## অলকা নন্দা

**প্ৰসন্ন শৰ্ম্মা**

কাৰ্তিকৰ এক নিঝুম ৰাতি
অনিল আহিছিল মুক্তিৰ গান গাই, গাই
ফল্গুৰ তলত আজিও সিঁহত
আড়ষ্ট হৈয়ে আছে।
সিঁহতৰ কণ্ঠধ্বনি ওলাই ছিল ফল্গু বিদাৰি
সিহঁতৰ মুক্তিৰ ভাৱবোৰ ফুলিছিল
ফুল হৈ শাল্মলি গছত।
শাৰদ: জোৎস্না ম্লান হৈছিল
সিহঁতক শৃঙ্খলিত দেখি।
সাৰ পাই দেখিছিলোঁ সমুখত
নাছিল শিশিৰ, নাছিল অম্বু
আছিল অশ্ৰু জলেৰে লিখা
এখন পনীয়া ৰঙৰ চিঠি।
তুলি লৈছিলোঁ নিজ হাতত বহু আশাৰে
সিহঁতৰ অশ্ৰু বন্যাৰে বৈছিল
মোৰ হাতৰ পৰা অজান দেশলৈ
অন্তঃ সলিলা এক অলকা নন্দা।



# কোচ জাতিৰ অতীতত এভুমুকি

**শ্ৰীশিবেন্দ্ৰ নাৰায়ন কোচ**

বিভিন্ন জাতি, উপজাতি আৰু জনজাতিৰ লীলাভূমি এই ভাৰত বৰ্ষ। শেহতীয়া তথ্য মতে ভাৰতবৰ্ষত বৰ্ত্তমানে প্ৰায় ৩০০০[১] হেজাৰ বিভিন্ন নামৰ জাতি, উপজাতি আৰু জনজাতি আছে বুলি পণ্ডিত সকলে কয়। এই বিৰাট সংখ্যক জাতি, উপজাতি বা জন জাতি বিলাক কেৱল তেওঁলোকৰ নামতেই এটাই আনটোৰ পৰা বেলেগ এনে নহয়। তেওঁলোক প্ৰত্যেকে, প্ৰত্যেকৰ পৰা বেলেগ, তেওঁলোকৰ ভাষা, সংস্কৃতি, ধৰ্ম্ম বিশ্বাস, দৈহিক গঠন, আহাৰ, পিন্ধা-উৰা আৰু দৈনিক আহাৰ আহৰণৰ বিধি বা স্থ বিলাকতো। তেওঁলোকৰ ভিতৰত কিছুমানে অতি প্ৰাচীন, আৰু কিছুমান তনই নতুন।

নৃতাত্বিক, বুৰঞ্জীবিদ আৰু সমাজ-বৈজ্ঞানিক সকলৰ মতে যিমান বিলাক জন গোষ্ঠী বা জাতি (Race) আমি এতিয়া ভাৰতবৰ্ষত পাওঁ; তেওঁলোকৰ পূৰ্ব্বপুৰুষ সকল হেনো আটাইয়ে ভাৰতৰ বাহিৰৰ পৰা অহা। কথাটো বিশ্বাস যোগ্য নহয় যদিও অবিশ্বাস কৰাবো কাৰণ বিচাৰি নাপাওঁ, কিয়নো এতিয়া লৈকে ভাৰতবৰ্ষত আদিম মানৱৰ জীৱাশ্ম আৱিষ্কাৰ হোৱা নাই বা এই ভাৰত ভূমিত মানৱ সৃষ্টিৰ কোনো প্ৰমাণ পোৱা নাই।

প্ৰাগৈতিহাসিক যি কোনো সৃষ্টি ৰহস্য ক'লা আৱৰণেৰে ঢাক খোৱা; কিয়নো সেই আদিম সৃষ্টিৰ প্ৰক্ৰিয়া মানুহে দেখা নাই। এই পৃথিৱীৰ সৃষ্টি সৌৰমণ্ডলৰ বিভিন্ন যৌগিক আৰু ৰসায়নিক প্ৰক্ৰিয়াৰ দ্বাৰা সৃষ্ট বুলি কয়। পৃথিবীৰ সৃষ্টি বৈজ্ঞানিক সকলৰ মতে প্ৰায় ৪½ (চাৰে চাৰি) বিলিয়ন অৰ্থাৎ ৪৫০০-৬০০০০০০০[2] মহাপদ্ম বছৰ আগতে হৈছে; বৈজ্ঞানিক প্ৰণালীৰে অনুমান কৰা এই ঐতিহাসিক সময় সীমা হিন্দু শাস্ত্ৰত বৰ্ণিত "কল্প"ৰ সময় সীমাৰ লগত প্ৰায় একে। হিন্দু বিলাকৰ বিশ্বাস-



OKDISCD

মতে হিন্দুৰ কল্পৰ ধাৰণাৰ বয়স ৪৩১৬০০০০০০০০০ মহাপদ্ম বা বিলিয়ন বছৰত[৩] যদি আমি ধৰি লওঁ যে এতিয়ালৈ এক লক্ষ কল্প অতিক্ৰান্ত কাৰণ কল্প বিলাক হেনো যুগৰ পিছত যুগ আহিছে আৰু গৈছে। গতিকে ওপৰুক্ত পৃথিৱীৰ বয়সৰ ঐতিহাসিক সময় সীমা সঁচা বা সঁচাৰ ওচৰা-ওচৰি যেনে লাগে।

পৃথিৱীৰ এই সুদীৰ্ঘ জীৱন্ত কালৰ ভিতৰত মানৱ জাতিৰ প্ৰথম অভ্যুদয় তুলনামূলক ভাৱে বহুত কম দিনৰ। কিছুমান পণ্ডিতৰ মতে আদিম মানৱৰ সৃষ্টি হৈছে আজিৰ পৰা প্ৰায় ৬০০০০০০ বছৰ[৪] আগত। অন্যে নৃতত্ববিদ এল, পলৰ মতে মানুহৰ জন্ম প্ৰায় ৩৫ মিলিয়ন[৫] বা চাৰে তিনি কোটি বছৰৰ আগতে হৈছে। ওপৰৰ হিচাপৰ পৰা দেখা যায়, মানুহৰ এই পৃথিৱীত বসবাস কৰিবলৈ লোৱা সময় পৃথিৱীৰ বয়সতকৈ তুলনামূলক ভাৱে বহুত কম; যদিও একেবাৰে কম নহয়। কিন্তু মানৱ জাতিৰ এই পৃথিৱীত বসবাস কৰা সুদীৰ্ঘ চাৰে তিনি কোটি বা ৬০ লক্ষ বছৰৰ ভিতৰত আমি মানৱ জাতিৰ ইতিহাস ৬ বা ৭ হেজাৰ[৬] বছৰৰ বেছি নেজানোঁ। যিখিনি জানো সেয়াও চেগা চৰকাহে (fragmentary), ধাৰাবাহিক নহয়।

এই সুদীৰ্ঘ কাল জুৰি এই পৃথিৱীৰ বুকুত বসবাস কৰি অহা মানৱ গোষ্ঠীৰ বিভিন্ন জাতি উপজাতি বিলাকৰ ভিতৰত কোচ এটা জাতি বা জনগোট। পৃথিৱীৰ কোন প্ৰান্তত এই জাতিটো প্ৰথমে জন্মিছিল, ক'ত কেনেকৈ আছিল, ভাৰতৰে আদিম অধিবাসী নে বাহিৰৰ পৰা আহিছিল এই ধৰণৰ বহুতো প্ৰশ্নই অনুসন্ধিৎসু মানৱ জাতিৰ মনত অভ্যুদয় হোৱাটো স্বাভাৱিক। কিন্তু সময়ৰ সোঁতত আমি ইমান দূৰ আগবাঢ়ি আহিছো যে সেই দূৰ অতীতৰ কথা বিলাকৰ লগত সাক্ষাৎ লাভ কৰাতো দূৰৈৰ কথা সিমান দূৰলৈ আমাৰ চিন্তাশক্তিয়ে ঢুকিয়ে নাপায়গৈ। কিন্তু সুখৰ বিষয় যে আমাৰ বিত্তুৎসাহী পণ্ডিত মহলে হাত সাৱটি বহি থকা নাই। যোৱা দুটা শতকত মানৱ জাতি তথা জৈৱিক ক্ৰমবিকাশৰ



বিষয়ে বহুতো নতুন তথ্যৰ সন্ধান দিছে। বৈজ্ঞানিক অনুসন্ধান এই গতিত আগবাঢ়ি থাকিলে হয়তো আমি অদূৰ ভৱিষ্যতত মানৱ জাতিৰ বিষয়ে বহুত কিছু জানিব পাৰিম।

ওপৰত কোচৰ কথা কওঁতে কোচক জাতি বুলি উল্লেখ কৰিছোঁ। সমাজ বিজ্ঞানৰ ভাষাত "কোচ" এটা জাতি, উপজাতি নে জনজাতি বা কোনটো নামাকৰণ শুদ্ধ হঠাতে কোৱা টান। কাৰণ পণ্ডিত সমাজত বিভিন্ন মতামত দেখা যায়। কোচক কিছু মানে কয় জন জাতি[৭] বা ট্ৰাইব। কিছুমান পণ্ডিতে কয় উপজাতি বা caste,[৮] বিশেষ কৰি অসম উপত্যকাত আৰু উত্তৰ বঙ্গত। কিছুমানে কয় কোচ আগতে জনজাতি আছিল কিন্তু এতিয়া হিন্দুৰ উপজাতি বা caste[৯] হৈছে। মুঠতে কোচ, জাতি নে জনজাতি সঠিককৈ কোৱা টান।

অসমীয়াত ইংৰাজী Tribe আৰু caste এই দুই শব্দৰ অৰ্থোপযোগী প্ৰতিশব্দ নাই বুলিয়ে কব পাৰি। ইংৰাজী (Tribe) ট্ৰাইব শব্দৰ প্ৰতিশব্দ হিচাপে জনজাতি শব্দ ব্যৱহাৰ কৰে। 'জন' শব্দৰ অৰ্থ মানুহ। গতিকে জনজাতি শব্দৰ অৰ্থ হয় মানুহ জাতি বা মানৱ জাতি। এতেকে দেখা যায় যিটো অৰ্থত ইংৰাজীত ট্ৰাইব শব্দ ব্যৱহৃত কৰা হয় ইয়াৰ প্ৰকৃত অৰ্থ অসমীয়া যুগ্ম শব্দ 'জনজাতি'য়ে প্ৰকাশ নকৰে বা কৰিব নোৱাৰে। ডঃ নীহাৰ ৰঞ্জন ৰয় ডাঙৰীয়াই ইংৰাজীৰ ট্ৰাইব শব্দৰ প্ৰতিশব্দ হিন্দিত ব্যৱহৃত 'কোম' শব্দ ব্যৱহাৰ কৰিছে আৰু ইংৰাজী কাষ্ট (caste) শব্দৰ প্ৰতিশব্দ হিচাপে ব্যৱহাৰ কৰিছে বৰ্ণ বা জাত[১০]। এই বৰ্ণ বা জাত ইংৰাজীৰ কাষ্ট শব্দই যি অৰ্থ প্ৰকাশ কৰে সেই অৰ্থৰ পুৰাপুৰি পৰিবাহক বুলি, কব নোৱাৰি কাৰণ বৰ্ণ বা জাত দুয়োটা শব্দই কাষ্ট পৰিবাহক বুলি কব নোৱাৰি কাৰণ বৰ্ণ বা জাত দুয়োটা শব্দই কাষ্ট শব্দতকৈ বহুলাত্মক অৰ্থ বহন কৰে। যিয়ে নহ'ক এই প্ৰবন্ধত জাতি শব্দৰ দ্বাৰা কোচ জন গোটক; জন জাতি শব্দৰ দ্বাৰা হিন্দি 'কোম' বা ইংৰাজী ট্ৰাইব আৰু উপজাতি শব্দৰ দ্বাৰা ইংৰাজী caste অৰ্থ



OKDISCD

বুজাবৰ কাৰণে ব্যৱহাৰ কৰা হৈছে।

কোচ জাতিৰ অতীতৰ পাত লুটিয়াই চালে দেখা যায় কোচ বিলাকে বিভিন্ন সময়ত বিভিন্ন ঠাইত আৰু বিশেষ অৱস্থাত বেলেগ নাম পাইছে।[১১] তাৰ ভিতৰত যিবিলাক নাম কোচ নামেৰেই অপৰ নাম বুলি পণ্ডিত সকলে ঠাৱৰ কৰিছে সেই বিলাক হ'ল কোচ, কোচা, কুচান বা কুচা, পানীকোচ, পানি বা পালি, কৰচ, কুবাচ, কম্বোজ, কিৰাট, ৰাজবংশী, তিয়াৰা, নাস্য ( বগুৰা জিলাৰ মুছলমান ধৰ্ম্মাৱলম্বী কোচ ) পাল, পালিয়া অসুৰ ম্লেচ্ছ ইত্যাদি। এই বিলাক নামৰ ভিতৰত কোচ, কুবাজ, কম্বোজ পানি বা পানী, ম্লেছ অসুৰ আদি আৰ্য্য বিলাকে দিয়া নাম যেন লাগে। কোচ শব্দ সংস্কৃতৰ পৰা আহিছে নে অন্য ভাষাৰ পৰা সৃষ্ট সেই কথা সঠিক ভাৱে কোৱা টান। কোচ ভাষাত কোচ বুলি কোনো শব্দ নাই। ইয়াৰ পৰা অনুমান হয় এই নাম কোচ সকলে নিজে লোৱা নাম নহয়; এই নাম তেওঁলোকক আনে দিয়া নাম। কোচ বিলাকৰ শ্ৰেণী ভিত্তিক আঞ্চলিক আৰু অত্যাধুনিক নাম বিলাক হ'ল ৰাজবংশী খেন বা খ্যান, তিয়াৰা, পালিয়া আৰু নাস্য। এই বিলাক নাম কোচ বিলাকে মূল স্মৃতিৰ পৰা ফালৰি কাটি ওলাই যাওঁতে নিজকে মূলৰ পৰা পৃথক কৰি দেখুৱাবৰ বাবে লোৱা বুলি অনুমান হয়। যেনে ৰাজবংশী অৰ্থাৎ ৰজাৰ বংশৰ বুলি গৌৰৱ বা সৰ্ব্বসাধাৰণতকৈ ডাঙৰ বা শ্ৰেষ্ঠত্ব দেখুৱাব উদ্দেশ্যে লোৱা নাম যেনিবা পৃথিবীত কেৱল কোচবহে ৰজা আছিল। পণ্ডিত সকলে ভাৱে ৰাজবংশী নামটো গৌৰবাত্মক অৰ্থত ব্যৱহৃত বুলি। আমাৰ বোধেৰে এই নামত গৌৰৱ কৰাৰ একো নাই; যদি আছে তেন্তে সেইটো হ'ল কোচ জাতিৰ ভুল বা মহাভুল; যি ভুলে তেওঁলোকক জীয়ন্তে মাৰি পেলাইছে। এই জীৱন্ত মৃত্যু তেওঁলোকে আকোৱালি লবলৈ বাধ্য হৈছিল তথা কথিত আৰ্য্য বা আৰ্য্য ব্ৰাহ্মণৰ চাতুৰালিত ভোল গৈ; যি ভুলৰ অনিৰ্ব্বাদ অগ্নিশিখা বা অগ্নি কুণ্ডত চগাই চাকিৰ পোহৰত ভোল গৈ আত্মজাহ দিয়াৰ নিচিনা সেই ভুলৰ অগ্নিকুণ্ডত আত্ম-



জাহ গৈছে আৰু গৈ আছে।

অখণ্ড বঙ্গ, নামনি অসম আৰু মেঘালয়ৰ গাৰোপাহাৰ জিলাৰ সীমান্তৱৰ্ত্তী এলেকাত যি সকলে নিজকে ৰাজবংশী বুলি কয় তেওঁলোকে এতিয়া এদিন সন্মান সূচক বুলি ভবা ৰা জ ব ং শী নামটো তেওঁলোকে বিচৰা সন্মান বিচাৰি নোপোৱাত পৰিছে আৰু ৰাজবংশীৰ লগতে তেওঁ-লোক ভঙ্গ ক্ষত্ৰিয়[১২] নাম বা শব্দৰ সংযোজন কৰা দেখা যায়। কোনো ব্যক্তিৰ এবাৰ চৰিত্ৰৰ স্খলন ঘটিলে সেই বিকৃত চৰিত্ৰ প্ৰথম বা দ্বিতীয় স্খলনেৰে আৱদ্ধ নেথাকে। স্খলনৰ সংখ্যা বাঢ়ি গৈয়ে থাকে। নিৰপেক্ষ দৃষ্টিত চাবলৈ গলে দেখা যায় কোচ সকল এটা জাতি হিচাপে স্খলিত চৰিত্ৰৰ ব্যক্তিৰ সমষ্টিত পৰিণত হৈছে। গতিকে তেওঁলোক জীয়াই থাকি-ও মৰা। কোচ সকলৰ এই বিকৃত মনোবৃত্তিৰ কাৰণ নিশ্চয় নোহোৱা নহয়। ইয়াৰ কাৰণ আছে আৰু আমি জনামতে ইয়াৰ একমাত্ৰ কাৰণ হ'ল আৰ্য্য হিন্দুৰ দৃষ্টি ভঙ্গীত বহুল প্ৰচাৰিত কোচ নামৰ লগত জড়িত হীনতা বা নীচতাৰ অপ প্ৰচাৰ[১৩]। দুখৰ বিষয় হ'ল কোচ সকলে কোচ দৰাচলতে হীন বা নীচ হয়নে নহয় এই কথা কেতিয়াও বিচাৰ কৰি চোৱা নাই আৰু কোচ হীন, অস্পৃশ্য, নীচ ম্লেচ্ছ আদি অপ প্ৰচাৰত ভোল গৈ চিলনীৰ কাণ লৈ যোৱা কথা শুনি চিলনীৰ পিছে পিছে খেদা মৰাৰ নিচিনা কোচ নামৰ পৰা আঁতৰি ভাল নামৰ পিছে পিছে দৌৰিয়ে আছে আৰু কোচ নাম বৰ্জ্জন কৰি নিজকে বিভিন্ন নামত পৰিচয় দিবলৈ ধৰে। কিছুমানে এই হীনতাৰ যন্ত্ৰনা সহ্য কৰিব নোৱাৰি দলে দলে মুছলমান ধৰ্ম্ম গ্ৰহণ[১৪] কৰি ধৰ্ম্মৰ নামত সমতা আৰু সমাজত ন্যায্য স্থান পোৱাৰ কাৰণে মুছলমান হৈ যায়। এই হেতু হীন পলায়ন কোচৰ মাজত কেৱল এতিয়াও চলি থকাই নহয় তেওঁলোকে যে ভুল কৰিছে আৰু কৰি আছে তাৰ অনুভৱ তেওঁলোকে এতিয়াও যে কৰিব পৰা নাই এইটোহে এটা আচৰিত কথা। তেওঁলোকে হিন্দু অসমীয়া আৰু বঙালী হোৱাত ব্যস্ত। তেওঁলোক অতৃপ্ত তেওঁলোকৰ নামত। ৰজাৰ বংশ বুলি



OKDISCD

গৌৰব বিচাৰি নোপোৱা হৈছে কাৰণ তাত গৌৰৱ কৰিবলৈ দৰাচলতে একো নাই। গতিকে ৰাজবংশী লগত এতিয়া আৰু নতুন নামৰ সংযোজন কৰিছে আৰু সেইটো হ'ল ক্ষত্ৰিয়। একাংশ কোচ সকলৰ অনুষ্ঠান নাম বিলাক হ'ল "সদৌ অসম কোচ ৰাজবংশী ক্ষত্ৰিয় সন্মিলন" আৰু "সৰ্ব্বভাৰতীয় কোচ ৰাজবংশী ক্ষত্ৰিয় মহাসভা"। এজন মানুহে তেতিয়াই অভাৰ কোট পিন্ধে যেতিয়া কোট চোলাই মানুহ জনক জাৰৰ পৰা বচাব নোৱাৰে। গতিকে দেখা যায় এচাম কোচৰ মতে তেওঁলোকে কোচ নাম লৈ জীয়াই থাকিব নোৱাৰে। সেয়েহে তেওঁলোকৰ প্ৰয়োজন হৈছে নতুম নাম বা উপাধিৰ। কিন্তু তেওঁলোকৰ এই ধাৰণা সঁচা নে ? বোধহয় নহয়। আমাৰ মতেৰে কোচৰ আত্মঘাটিৰ একমাত্ৰ কাৰণ হ'ল নিজৰ বিষয়ে তেওঁলোকৰ অজ্ঞতা।

অতীত কোচৰ বিষয়ে কোচ ৱা অন্য ভাষাত লিখিত কোনো ধাৰাবাহিক কাহিনী বা তথ্য পোৱা নেযায়। কোচ ভাষা কোনো বা দিন লিখিত ভাষা আছিল নে নাই সেই বিষয়ে এতিয়াওঁ জানিব পৰা হোৱা নাই। চীনৰ উত্তৰ-পশ্চিম প্ৰান্তৰ দেশবাজি কুচা, তাৰকান—আৰু কাৰাচহৰ অঞ্চলত অলপতে আবিষ্কাৰ হোৱা বৌদ্ধ আৰু অন্যান্ন সাহিত্য বাজিৰ ভাষা গোষ্ঠীৰ নাম ৰখা হৈছে কোচিয়ান আৰু তুযাৰিয়ান [১৫]। কোচিয়ান নাম কুচা দেশৰ নামৰ পৰা হৈছে। কুচা দেশক কিছুমান পণ্ডিতে কোচ সকলৰ আদিম বাসস্থান [১৬] বুলি অনুমান কৰে। কিন্তু কোচিয়ান ভাষাৰ মূল ইণ্ডো-ইউৰোপীয়ান বুলি পণ্ডিত সকলে ঠাৱৰ কৰিছে আৰ, সেই ভাষাৰ মিল ইটালী, কেলটিক, স্লাৱ আৰু আৰ্মেনিয়ান ভাষাৰ লগত। বৰ্তমান সময়ত অধিক সংখ্যক কোচৰে মাতৃভাষা আৰ্য্য ভাষা যদিও পণ্ডিত সকলৰ মতে কোচ ভাষা ইন্দো-চীন ভাষা গোষ্ঠীৰ অন্তৰ্গত আৰু এই তথ্যৰ জীৱন্ত প্ৰমাণ থকাও দেখা যায়। কথাটো অত্যন্ত খেলি মেলি যেন লাগিলেও আচৰিত হোৱাৰ কোনো কাৰন নাই। ভাষা ভাৱৰ বাহক। গতিকে



অৱস্থাভেদে তাৰ পৰিৱৰ্ত্তন অনস্বীকাৰ্য্য। প্ৰশ্ন হ'ল মূল ভাষা ইন্দো-ইউৰোপীয়ান নে ইন্দো-চীন। এই প্ৰশ্নৰ জবাব—পোনপটীয়াকৈ দিয়া সম্ভৱ নহয়। এই খিনি মাত্ৰ আমি কব পাৰোঁ যে কোচ সকল মানুহ। গতিকে তেওঁলোকৰ ভাৱৰ আদান-প্ৰদানৰ বাবে তেওঁলোকৰ এটা ভাষা আছিল সেয়া ইন্দো-ইউৰোপীয়ানে হ'ক বা ইন্দো-চীনে হ'ক।

কোচৰ যেনেকৈ ভাষা আছে ঠিক তেনেকৈয়ে তেওঁলোকৰ দেশ থকাৰ কথাও জনা যায়। মুছলমান ঐতিহাসিক সকলে মুছলিম ইতিহাস বিলাকত প্ৰায়ে কুচ[১৭] (দেশৰ) কথা উল্লেখ কৰা দেখা পাওঁ। আনকি খৃঃ পূঃ ৭ম শতিকাৰ বুলি ধাৰণা কৰা অসমৰ পৰা পাঞ্জাব-ৰাজস্থানৰ বণ্টাক, গোৱালিয়ৰ আৰু গুজৰাটৰ মালৱালৈকে একচ্ছত্ৰী সম্ৰাট শঙ্কলাদিৰক কুচ দেশৰ পৰা অহা কোচাধিপতি বুলি মুছলমান বুৰঞ্জীৰ কাচিম ফেৰিষ্টাই কৈছে[১৮]। কৈছে ভাৰতীয় জৈন শাস্ত্ৰ পুথি বিলাকত কোচ্ছ[১৯] জনপদৰ কথা। প্ৰাচীন ভাৰতীয় সংস্কৃত আৰু পালি সাহিত্য বিলাকত ভাৰতত ১৬টা ৰাজ্য বা জনপদ থকাৰ কথা কয়। এই কথা পাণিনি ও তেওঁৰ বিখ্যাত সংস্কৃত ব্যাকৰণত উল্লেখ কৰিছে। অৱশ্যে পাণিনিৰ মতে তেওঁৰ সময়ৰ জনপদৰ সংখ্যা ১৬টা নহয় ২১টা আৰু সেই ২১টা জনপদ বিলাক হেনো সেই সেই দেশৰ ক্ষত্ৰিয় শাসক জাতিৰ নামানুসাৰে হোৱা[২০]। গতিকে কোচ্ছ জনপদ কোচ জাতিৰ নামৰ পৰা হোৱা বুলি কোৱাৰ যুক্তি থকা দেখা যায়। অৱশ্যে কোৱা উচিত যে পাণিনিৰ ব্যাকৰণত কোচ্ছ জনপদৰ উল্লেখ নাই, আছে আন-আন জনপদৰ লগত কম্বোজ জনপদৰ।

ভাষাৱিদ সকলে থিৰাং কৰিছে যে, কম্বোজ কোঁচ শব্দৰ অনুনাসিক (Nasalised) ধ্বনিৰ সংস্কৃত ৰূপ। ভাষাবিদ সকলৰ এই সিদ্ধান্ত যদি সঁচা হয় তেনেহলে জৈন গ্ৰন্থ ভগৱতীত উল্লেখ কৰা কোচ্ছ জনপদ কম্বোজ জনপদৰ অন্য নাম বুলি কোৱাৰ যুক্তি থকা দেখা যায়। মুঠতে থলমূল ভাবে ইয়াকে কব পাৰি যে সুদূৰ অতীতৰ পৰা কোচ সকলৰ এটা ৰাষ্ট্ৰ



OKDISCD

বা দেশ আছিল। কিন্তু সেই কোচ ৰাষ্ট্ৰ কিমান পুৰণি আৰু ক'ত আছিল ? এইটো এটা অত্যন্ত কঠিন প্ৰশ্ন। এই প্ৰশ্নৰ জবাব পাব লাগিলে আমি পোন প্ৰথমে চাব লাগিব কোচ দৰাচলতে কিমান পুৰণি জাতি।

ভাৰতীয় জন গোষ্ঠীৰ পৌৰানিকত্ব বিচাৰ কৰিবলৈ গ'লে আমি ভাৰতৰ পুৰণিতম সাহিত্য ঋগবেদৰ আশ্ৰয় লব লাগিব। ঋগবেদত বহুতো বৈদিক জাতিৰ উল্লেখ কৰিছে। সেই বিলাকৰ ভিতৰত কুৱাচ[21] আৰু কম্বোজ[22] শব্দ দ্বয় এবাৰ কৰি হলেও উল্লেখ কৰা দেখা যায়। ভাষাবিদ সকলৰ মতে কুৱাচ কোচ শব্দৰ অনানাসিক আৰু কম্বোজ কোঁচ শব্দৰ অনুনাসিক সংস্কৃত ৰূপ[23]। এই তথ্যৰ পৰা দেখা যায় আৰ্য্য সকলে যেতিয়া ঋগ বেদ ৰচনা কৰে সেই সময়ত কোচ সকল ভাৰত বৰ্ষত আছিল যাৰ কাৰণে আৰ্য্য সকলে তেওঁলোকক কুৱাচ ( কুয়বাচ ) আৰু কম্বোজ বুলি বৰ্ণনা কৰিছিল। আমি এই প্ৰবন্ধৰ আৰম্ভনিৰ ফালে কৈ আহিছোঁ যে কোচৰ আন এটা নাম পানি কোচ হৈছে বৈদিক পানি জনৰ[24] নামৰ পৰা। উল্লেখযোগ্য যে ঋগবেদত পানি সকলৰ বৰ্ণনা কেবাবাৰো উল্লেখ কৰিছে। গতিকে এই কথাই প্ৰতীয়মান কৰে যে ঋগবেদৰ ৰচনাৰ সময় ছোৱাত কোচ সকলে ভাৰতবৰ্ষত আছিল। এতিয়া কথা হ'ল কোচ সকল আৰ্য্য সকলৰ দৰে যদি বাহিৰৰ পৰা আহিছিল তেন্তে তেওঁলোকে আৰ্য্যৰ আগত নে পিছত আহিছিল ?

এই প্ৰশ্নৰ উত্তৰ পাবলৈ হ'লে বৈদিক সভ্যতাৰ আগত ঠন ধৰি উঠা বুলি অনুমান কৰা আন এটা ভাৰতীয় সভ্যতালৈ আমি ঘূৰি যাব লাগিব যি সভ্যতাক "সিন্ধু সভ্যতা" বুলি আমাৰ বুৰঞ্জীত জনাজাত। কোচৰ বিষয়ে জনা সকলে জানে যে কোচৰ আন এটা নাম হ'ল "তিন-টিকিয়া কোচ"। ভাষাচাৰ্য্য গ্ৰীয়াৰ্চন দেৱৰ মতে এই কোচৰ এটা নাম তিনটিকিয়া কোচ হৈছে কাৰণ তেওঁলোকৰ তিৰোতা সকলে মূৰত, বুকুত আৰু কঁকালত তিনিখন কাপোৰ লয় বা পিন্ধে। সিন্ধু সভ্যতাত যি-



বিলাক মাটিৰ নিৰ্ম্মিত নাৰী মূৰ্ত্তি পোৱা গৈছে সেই নাৰীমূৰ্ত্তি বিলাকৰ পিন্ধনৰ ৰীতিও তিনিখন কাপোৰ। ককালত বুকুত আৰু মূৰত। কিছু-মান পণ্ডিতে ভাৱে যে, সিন্ধু সভ্যতাৰ ধ্বংসাৱশেষত পোৱা মাটিৰ নাৰী মূৰ্ত্তি বিলাক সিন্ধু সভ্যতাৰ নাৰী সমাজৰ ভূষণ বা পৰিধান ৰীতি আছিল[25]। সেয়া যদি হয় সিন্ধু সভ্যতা কোচ সভ্যতা নেকি ? যদি নহয় কোচ সকলে সেই সভ্যতাৰ অাংশীদাৰ বা একাংশ আছিল নেকি ? আজি অৱধি কোনেও নভবা এই কথা নিৰপেক্ষ গৱেষণাৰ তুলাচনীত এদিন উঠিব এই কথা কোৱা টান কাৰণ সত্য মাটিৰ তলত, সাগৰ তলিত বা পৰ্ব্বতৰ গুহাত পৰি থাকিলেও এদিন নহয় এদিন ওলাই পৰে।

অসমৰ বুৰঞ্জী অধ্যয়নকাৰী সকলে জানে যে, অসমৰ পুৰণিতম ৰজা হ'ল মহীৰঙ্গ দানৱ। তেওঁৰ পুতেক বা পৰবৰ্ত্তী ৰজাজন হ'ল হটকাসুৰ, হটকাসুৰৰ পিছত সম্বাসুৰ, সম্বাসুৰৰ পিছত ৰত্নাসুৰ, ৰত্নাসুৰৰ পিছত ঘটকাসুৰ আৰু ঘটকাসুৰৰ পিছত নৰকাসুৰ। ঋগ বেদত সম্বাসুৰৰ ৯৯টা নগৰ ধ্বংস কৰা বুলি কৈছে। কিন্তু ঋগবেদত মহীৰঙ্গ দানৱ, হটকা-সুৰ আৰু ৰত্নাসুৰৰ বিষয়ে নীৰৱ। এই কথাই দেখ দেখকৈ আঙুলিয়াই দিয়ে যে তেওঁলোক প্ৰাগ-বৈদিক যুগৰ আৰু সম্বাসুৰ বৈদিক যুগৰ যাৰ ৯৯টা নগৰ ইন্দ্ৰৰ দ্বাৰা ধ্বংস কৰাৰ কথা ঋগবেদত উল্লেখ কৰা দেখা যায়। ওপৰত উল্লেখ কৰা ৰাজপৰিয়ালৰ নামৰ পৰা বুজিবলৈ বাকী নেথাকে যে তেওঁলোক দানৱ বা অসুৰ বংশৰ অৰ্থাৎ অনাৰ্য্য; আৰ্য্য নহয়।

এতিয়া প্ৰশ্ন হ'ল মহীৰঙ্গ দানৱ বা তেওঁৰ পৰবৰ্ত্তীকালৰ অসুৰ বংশৰ লগত কোচৰ সম্পৰ্ক কি বা কিমান। আপাত দৃষ্টিত চাবলৈ গলে কোচ আৰু দানৱ বা অসুৰ বংশৰ লগত কোচৰ কোনো প্ৰত্যক্ষ সম্পৰ্ক থকা দেখা নেযায় বা আমাৰ জনা নাই। একমাত্ৰ সংযোগ বা সম্পৰ্কৰ ভিত-ৰত কোচ আৰু দানৱ বা অসুৰ বিলাক অনাৰ্য বংশজাত আৰু কোচ সকলকো আৰ্য্য সাহিত্য বিলাকত বিভিন্ন বিশেষণেৰে যেনে,—ৰাক্ষস,



OKDISCD

দানৱ, অসুৰ, ম্লেচ্ছ আদি নামেৰে বিভূষিত কৰিছে কিন্তু এই কথাই অৱশ্যে কোচ সকলক মহীৰঙ্গ দানৱৰ বংশ জাত বুলি ঐতিহাসিক দৃষ্টি কোণৰ পৰা ৰায় দিয়া সম্ভৱ নহয়। আন হাতেদি মহীৰঙ্গ দানৱ বা তেওঁৰ বংশধৰ সকল ঐতিহাসিক ব্যক্তি নহয়। তেওঁলোক কাল্পনিক নহলেও পৌৰানিক কাহিনীৰ নায়ক। গতিকে ঐতিহাসিক ব্যাক্তি বুলি ডাঠিকে কব নোৱাৰি। কিন্তু কিছুমান পণ্ডিতৰ অভিমতৰ পৰা দেখা যায় মহীৰঙ্গ দানৱ ৰাজ ঐতিহাসিক ব্যক্তি কাৰণ ঐতিহাসিক সকলৰ মতে " His name was evidentley Mairang for a hill on the seventh mile of the Gauhati-Shillong road is still known as "Mairang parbat." It is shown in the modern mal as "Mairanka." It is clearly a Bodo name,....who then inhabited the country were called kiratas and Mlechha as they were Mongolian immigrants. "

একাংশ কছাৰীয়ে নিজকে বড় বুলি কয়। হুডচন চাহাবে উনবিংশ শতিকাত অসমবাসী মঙ্গলয়েড সকলক বুজাবৰ কাৰণে বড়ো শব্দৰ পোন প্ৰথম ব্যৱহাৰ কৰে[২৭]। তেতিয়াৰ পৰা অসম উপত্যকাৰ মঙ্গলয়েড আৰু তিব্বত-বৰ্ম্মী ভাষা গোষ্ঠীৰ মানুহ বিলাকক বুজাবৰ কাৰণে এই বড়ো শব্দৰ নিৰ্ব্বিচাৰ ব্যৱহাৰ হোৱা দেখা যায়[২৮]। যিয়ে নহ'ক কোচ সকলো আধুনিক পণ্ডিত সকলে কোৱা বড়ো গোষ্টীৰ অন্তৰ্গত। ভাষিক নৃতাত্বিক আৰু সাংস্কৃতিক দৃষ্টি ভঙ্গীৰ পৰা চালি জাৰি চালেও কোচ আৰু কছাৰীৰ মাজত এটা অবিচ্ছেদ্য সম্পৰ্ক থকা বুলিয়ে ধাৰনা হয়। কিছুমান পণ্ডিতৰ মতে কছাৰী শব্দৰ সৃষ্টি হৈছে মূলত কোচ শব্দৰ পৰা। যেনে কোচ + অৰি = কছাৰী অৰ্থাৎ কোচৰ সন্তান বা বংশধৰ সকলেই কছাৰী[২৯]। এই ফালৰ পৰা চাবলৈ গলে এইটো কোৱাৰ ঐতিহাসিক যুক্তি থকা দেখা যায় যে আধুনিক কালত যেনেকৈ পশ্চিমীয়া পণ্ডিত



সকলৰ নব্য নামাকৰনক অনুসৰন কৰি অসম মঙ্গলয়েড তথা কোচ সকলক বড়ো বুলি কোৱা হয় অতীতত আৰ্য্য সকলে সেই মানুহ বিলাককে কোচ > কুয়ক < কুয়বচ < কৱচ বুলি কৈছিল যে এই বিষয়ে নিসন্দেহ কাৰন আমি বৈদিক আৰু পৌৰানিক সংস্কৃত সাহিত্য বিলাকত কোচৰ বাহিৰে অন্য অসম মঙ্গলয়েড জন গোষ্ঠীৰ নাম উল্লেখ কৰা দেখা নেপাও।

কোচৰ উল্লেখ ঋগবেদৰ পৰৱৰ্ত্তী ব্ৰাহ্মণ সাহিত্যত কৱচ হিচাপে কৰা দেখা যায়। কুৱাচ যেনেকৈ কোচৰ সংস্কৃত ৰূপ, কৱচ শব্দয়ে কুৱাচৰ আন এটা সংস্কৃত ৰূপ বুলি পণ্ডিত সকলে কয়[৩০] ( কুৱাচ < কবচ < কোচ )। কবচৰ (তুৰ কবচ)[৩১] উল্লেখ আমি ঋগবেদীয় ঐতেৰেও আৰু কৌশিতকী ব্ৰহ্মণত কৰা দেখা পাওঁ। এই তথ্যও প্ৰমান কৰে যে কোচ সকল বৈদিক যুগত আছিল। সেই একে ব্ৰাহ্মণত সৰস্বতী নদীৰ পাৰৰ তুৰ কৱচৰ বাহিৰেও জন্মেজয় ৰজাৰ ৰাজ পুৰোহিত তুৰ[৩২] কবচৰ উল্লেখো পাওঁ। সৰস্বতীৰ পাৰৰ তুৰ কৱচ আৰু জন্মেজয় ৰজাৰ ৰাজ পুৰোহিত তুৰ কৱচ এনেজন ব্যক্তি নে বিভিন্ন বুজা নেযায়। যিয়ে নহ'ক ৰাজ পুৰোহিত কথাই প্ৰশ্নৰ অৱতাৰণা কৰে যে তুৰ কৱচ যদি কোচ হৈ থাকে তেন্তে তেওঁ কেনেকৈ ৰাজ পুৰোহিত হব পাৰে।

ইয়াৰ উত্তৰত আমি কব পাৰোঁ যে বৈদিক যুগত জাতি নিৰ্ণয় জন্মৰ দ্বাৰা হোৱা নাছিল। ব্ৰাহ্মণত্ব লাভ কৰিছিল ব্ৰহ্মজ্ঞান লাভ কৰিহে আৰু এই কথাৰ সমৰ্থন আমি ধৰ্ম্মসূত্ৰ বিলাকৰ পৰা পাওঁ। অপস্তম্ভৰ ধৰ্ম্ম সুত্ৰত এই দৰে কৈছে :—

ধৰ্ম্মচাৰ্য্য জঘন্য ৱৰ্ণাঃ পূৰ্ব্বা পূৰ্ব্বাং বৰ্ণমাপদ্যতে জাতি পৰিবৰ্ত্তৌ।
অধৰ্ম্মচৰ্য্যা পূৰ্ব্ব বৰ্ণ জঘন্যতম ৱৰ্ণমা পদ্যতে জগতি পৰিবৰ্ত্তৌ।

( অঃ ধঃ সুঃ ২-৫-১০, ১১ )। মনুসংহিতাতো এইদৰে কোৱা দেখা যায় :-

শূদ্ৰ ব্ৰাহ্মণতাম ইতি ব্ৰাহ্মণস্চ ইতি শূদ্ৰতাম। ( মনু ১০—৬৫ )

অৰ্থাৎ ধৰ্ম্মাচাৰন কৰি তলখাপৰ মানুহেও তেওঁলোকতকৈ তুলনা মূলক



OKDISCD

উচ্চ বৰ্ণত উন্নীত হয় আৰু অধৰ্ম আচৰণ কৰিলে উচ্চ বৰ্ণৰ মানুহেও নিম্ন বৰ্ণত পতিত হয় বা শূদ্ৰ এজনেও ( তেওঁৰ জ্ঞানৰ বলত ) ব্ৰাহ্মণত্ব লভিব পাৰে, আৰু ( এজন ) ব্ৰাহ্মণেও ( তেওঁৰ অজ্ঞানৰ বাবে ) শূদ্ৰত্ব প্ৰাপ্ত হয়। ব্ৰাহ্মণত পোৱা কাহিনী মতে তুৰকৱচ বেদবিদগত পাৰ্গত আছিল কাৰণ তেওঁ আপনত্ৰিয় মুক্ত (মন্ত্ৰ) জানিছিল আৰু ব্ৰাহ্মণ সকলে তেওঁক ঋষি আখ্যাৰে আখ্যায়িত কৰিছিল। পিতৃ পৰিচয় বিহীন দাসী পুত্ৰ হৈয়ো তুৰ কৱচ যেনেকৈ এজন ঋষি হৈছিল ঠিক তেনেকৈ য়ে ( কম্বোজ ) উপামানবও ঋষি আনন্দজৰ বেদ শিক্ষাৰ গুৰু আছিল। তুৰ কৱচ যেনেকৈ কোচৰেই অন্য নাম বুলি কোৱা হয় ঠিক তেনেকৈয়ে কম্বোজ শব্দ য়ো কোঁচ শব্দৰে সংস্কৃত ৰূপ বুলি পণ্ডিত সকলে ঠাৱৰ কৰে। এই বিলাক তথ্য পাতিৰ পৰা দেখা যায় কোচ সকল বৈদিক যুগত আছিল আৰু তেওঁলোকৰ বৈদিক জ্ঞানৰ লগত পৰিচিত আছিল বা আৰ্য্যৰ বহুত বৈদিক সূত্ৰ হয়তো সংস্কৃতত প্ৰকাশ কৰা কোচ সমাজ আৰু সংস্কৃতিৰ অনুদিত সংস্কৰণ বুলি কোৱাৰ হেতু থকা যেন পাওঁ।

এই ধাৰণা আৰ্য্য সকলৰ আদিতে ৰাষ্ট্ৰৰ জ্ঞান নথকা আৰু অনাৰ্য্য সকলৰ অনুকৰণ কৰি ৰাষ্ট্ৰ গঠন কথাই কিঞ্চিত পৰিমানে হলেও প্ৰমাণ কৰে। এই বিষয়ে ঐতেৰেও ব্ৰাহ্মণত এটা কাহিনী পোৱা যায়। সেই কাহিনী মতে দেৱতা আৰু অসুৰ সকলৰ মাজত প্ৰায়েই যুদ্ধ হৈছিল যদিও দেৱতা সকলে সদায়েই হাৰিছিল। দেৱতা সকলে কিয় যুদ্ধত জয়ী হব নোৱাৰে তাৰ কাৰণ বিচাৰি উলিয়াবলৈ এবাৰ দেৱতা সকলৰ এটা সভা বহিল। তাত আলোচনা-বিলোচনা কৰাৰ পিছত দেখা গ'ল যে তেতিয়ালৈকে দেৱতা সকলৰ ( অধিপতি ) ৰজা আৰু ( অনুগামী ) প্ৰজা বুলি কোনো নাছিল। সকলোৱে নিজৰ অধিপতি। আনহাতেদি অসুৰ সকলৰ ( অধিপতি ) বা ৰজা আছিল আৰু তেওঁৰ হুকুম মতে সকলোয়ে চলিছিল। গতিকে ৰজা নোহোৱায় তেওঁলোকৰ যুদ্ধত পৰাস্ত হোৱাৰ কাৰণ বুলি সকলোৱে মিলি সোমক ৰজা পাতে আৰু তাৰ পিছৰ



পৰা দেৱতা সকলে যুদ্ধত জয়ী হবলৈ ধৰে। এই কাহিনীয়ে দেখুৱায় যে আৰ্য্য সকলৰ ৰাষ্ট্ৰৰ জ্ঞান অনাৰ্য্য বা ভাৰত বাসীৰ পৰাহে পায়। গতিকে অনাৰ্য্য বা কোচ-কম্বোজৰ পৰা বেদ শিক্ষা আৰু তুৰ (কোচ) কৱচ আৰ্য্য ঋষি হোৱা আচৰিত কথা নহয়।

আমাৰ এই অনুমানক, সমগ্ৰ ভাৰত ব্যাপি সিঁচৰিত হৈ থকা কোচ ভাষাৰ দ্বাৰা সৃষ্ট নদ-নদী আৰু ঠাইৰ নাম বিলাকেও সম্পূৰ্ণভাবে নহলেও আংশিক ভাবে প্ৰমাণ কৰে। কোচ ভাষাত পানীক কয় 'তি' বা 'তিকা'। সমগ্ৰ ভাৰত জুৰি 'তি' প্ৰত্যয় যুক্ত নদ-নদীৰ নাম আজিলৈ থকা দেখা যায়। যেনে :—গোমতি কাবুল নদীৰ পুৰণি নাম। ইয়াৰ উপৰিও উত্তৰ ভাৰত আৰু ত্ৰিপুৰাত এই নামৰ নদী থকা দেখা যায়। সপ্ত সিন্ধুৰ ৰবি, ৰাৱতি : বিয়াচ, নিয়ংতি : চুতলেজ জাংতি : পাৰা, পাৰাতি : নাঙ্গলতি : ঋগবেদীয় সৰস্বতী, ইচামতি, নেপালৰ বাঘমতি, ভাগিৰথী ( তি ) তাপ্তি বা তাপ্ তি, ৰাপ্তি ৰাপ্ তি, তিস্তা, তিদং, লিঙতি ( লদ্দাখ), পিতি ( হাইদ্ৰাবাদত ), ৰাসেতি (দক্ষিণ বোম্বাইত ), সবৰমতি ( বৰোদা ), চম্পামতি, গুৱাহাটী ( তি ) ৰাঙামাটি সাৰামতি ( নগা পাহাৰৰ উচ্চতম পৰ্ব্বত শৃঙ্গ ), ৰাইতি ( নগা পাহাৰ আৰু ব্ৰহ্মদেশ ) তিৰাপ ( অৰুণাচল প্ৰদেশ ), তিনচুকীয়া, তিতাবৰ ( অসম ) আদি। এই নাম বিলাকৰ পৰা দেখা যায়, কোচ মানুহ বা কোচ সংস্কৃতি আমাৰ বৃহত্তীৰ কোনোবা এটা সময়ত পশ্চিমে আফগানি স্থানৰ পৰা আৰম্ভ কৰি পুবে বৰ্ম্মালৈকে বিয়পি পৰিছিল। নহলে কোচ ভাষাৰ 'তি' প্ৰত্যয় যুক্ত ইমান বিলাক নদ-নদীৰ নাম ভাৰত বৰ্ষত হব নোৱাৰে। আনকি আজি কেবা হাজাৰো বছৰ আৰ্য্য ভাষা সংস্কৃতি আৰু ৰাজ ক্ষমতা সমগ্ৰ ভাৰত ব্যাপি আছে যদিও সংস্কৃতৰ পানী শব্দৰ অপ বা বাৰি প্ৰত্যয়েৰে ইমান বিলাক নদ-নদীৰ নাম হোৱা দেখা নেযায়। এই কথাই এইটো প্ৰমাণ কৰা দেখুৱায় যে, কোনোৱা এটা সময়ত কোচ সংস্কৃতি আৰ্য্য সংস্কৃতিতকৈ চহকী আৰু অতি ব্যাপক আছিল। নহলে আমাক



OKDISCD

আচৰিত কৰি তোলা আৰ্য্য সংস্কৃতিয়ে যিটো দিব পৰা নাই সেইটো কোচ সংস্কৃতিয়ে কেনেকৈ দিব পাৰে।

এই বিলাক তথ্য পাতিৰ পৰা দেখা যায় আধুনিক সংজ্ঞা মতে ইংৰাজী Nation শব্দৰ দ্বাৰা যিটো বুজায় এদিন কোচ এটি Nation বা জাতি আছিল। আৰু আদিতে যে কোচ, কৱচ, কুৱাচ, কম্বোজ নামেৰেই যে আধুনিক যুগত বড়ো বা তিব্বেটো-বাৰ্ম্মান নামেৰে নামাকৃত আটাইবোৰ মানুহ বিলাক পৰিচিত আছিল এই বিষয়েও নিশ্চিত যেন লাগে কাৰণ সেই নামৰ কোনো জাতি বা উপজাতিৰ নাম আমি পুৰণি ভাৰতীয় সংস্কৃত সাহিত্য বিলাকত নেপাওঁ। গতিকে কিছুমান পণ্ডিতে ধাৰণা কৰা কচাৰিৰ পৰা কোচ, গাৰোৰ পৰা কোচ, বাভাৰ পৰা কোচ বুলি কোৱা কথা সত্য আৰু তথ্যৰ ওপৰত প্ৰতিষ্ঠিত কথা নহয় কাৰণ সেই নামৰ মানুহ সুদূৰতে নেলাগে, আদি মধ্যযুগ বা খৃষ্টাব্দৰ ৮ম, ১০ম শতিকাতো নথকা যেন লাগে কাৰণ সেই সময়ৰ সাহিত্য বিলাকত তথা কথিত তিব্বেটো-বাৰ্ম্মান বা বড়ো বুলি অভিহিত জন গোষ্ঠীৰ অন্তৰ্গত কোনো জন গোটৰ নাম উল্লেখ কৰা আমি দেখা নাপাওঁ। অথচ কোচৰ উল্লেখ কুৱাচ, কৱচ, কম্বোজ, পাণি আদি নামেৰে নামাকৃত কৰাৰ উপৰিও কোচ হিচাপেও বেদ আৰু পুৰাণত উল্লেখ কৰা দেখা যায়। গতিকে কোচ তিব্বেটো, বাৰ্ম্মান বা মঙ্গলয়েড জনৰ আদি নাম। অৰ্থাৎ কোচেই মঙ্গলয়েড আৰু মঙ্গলয়েড মানেই কোচ যি মানুহ বিলাকক কিৰাট, ম্লেচ্ছ, দানৱ, অসুৰ বুলিও হয়তো আৰ্য্য সকলে কৈছিল।

---



## গ্ৰন্থ-পঞ্জী


১। Hutton, J. H. Castes in India, Oxford University Press, London, 1973, P. 2.

২। Star, Chester, G. A history of the Ancient world, Oxford University Press, N. Y. 1974 P. 1.

৩। Ions, veronica, Hindu Mythology, P. 24.

৪। Fuchs, Stephen, The origin of the man and His culture, Asia publishing house, 1963 P. 9.

৫। ঐ পৃঃ ১৯।

৬। ঐ পৃঃ ১৯।

৭। Gait, Edward, A History of Assam, 1926 P. 2. Allen, B. C. Gazetters of N. E. India and Bengal vol. I. P. 51. Prof. Dutta, P. N, Glimpses in to the history of Assam, P. 115. Hutton J. H. ibid Page 285
Imperial Gazetters of India. vol. VI. P. 25.
Prof. Baruah, B. K. A caltural History of Assam 1966 P. 7.

৮। Gait, E. ibid P. 47
Dr. Acharyya, N. N. Medieval History of Assam 1971 P. 187
Encyclopedia Britenica, vol. 13 Page 438

৯। Gait, E ibid, Page 8

১০। ডঃ ৰায়, নীহাৰ ৰঞ্জন বাঙালীৰ ইতিহাস, ১৯৮০ পৃঃ ২৯

১১। Risly, H H. The man in India 1940 P. 97
কোচ শিবেন্দ্ৰ নাৰয়ন, কোচৰ অলেখ নাম বিভিন্ন পৰিচয় ৰাছান, ফেব্ৰুৱাৰী সংখ্যা, ১৯৮৪




OKDISCD

১২। Risly, H. H. ঐ পৃঃ ১০২
১৩। Col. Dalton, E. Tribal History of Eastern India, 1973 P. 87 কোচ, শিবেন্দ্র নাৰায়ন, যুগে যুগে অপ প্ৰচাৰৰ বলি কোচ সমাজ
১৪। Hunter, W. W, Statestical Accounts of Bengal, 1973 vol-X P. 80
১৫। Dr. Chatterjee, S. K. O. D. B. L. 1970, vol. 1 P. 6
১৬। Nath, Rajmahan, The Back ground of Assamese Culture, Dutta Barua Co. Gauhati, 1978 P.-16
১৭। Bloch man, H, A 1 n-1 Akbari, 1927:140, 329
১৮। Briggs, g., Kasim Ferista's History of the Rise of the Mahammedan power in India, Oriental Books Reprint Corporation New Delhi 1981, vol. 1 P. LV11.
১৯। Dr, Mukherjee, R. K Hindu civilization Bharatya Vidya Bhavan, Bombay, 1977 P. 179
২০। Dr. Mukherjee. ঐ পৃঃ ১২০
২১। ঋগবেদ ১-১৭৪-৭ কিছুমান পণ্ডিতে ঋগবেদত বৰ্ণনা কৰা কুয়ব শব্দ-কো কোচ শব্দৰ বৈদিক ৰূপ বুলি কয়।
২২। ঐ ১-১০১-৯
২৩। Dr. Chatterjee, S. K. Kirata-jana-Krti The Asiatic Society, 1974 P. 113.
২৪। Dr. Basu, N. N. Social History of Kamrupa, 1922 vol. 1 : 35
২৫। Vidyarthi. M.L. India's Culture through the ages Minaleshe Prallashen, Meenet, 1970 Page 27 28



২৬। Baruah, K. L Early History of Kamrup, Lawyers Basu Stall, Guwahati, 1966 P. 18
২৭। Grierson, G. A , L.S I., 1973 vol III pt. II Page-1
২৮। Koch, S. N., A much Missused Term, News Star dt 12-13 June, 1984
২৯। Grierson, G. A. ibid Page-1
৩০। Basu, N. N., Social History of Kamrupa, 1922 vol I. Page-35
৩১। Kaushitoki Brahmana ১১-৩ মধ্যমাহ সৰস্বত্যাম্ সত্ৰ মাসত, তদ্ধপি কৱস ...... তস্মা হা ক্ৰোধম ৰিনিনীয়ু।
ঐতেৰেয় ব্ৰাহ্মণ্যতা তুব কৱচৰ উল্লেখ এজন দাসী পুত্ৰ হিচাপে কৰিছে।
৩২। Dr. Mukherjee, R K., Hindu Civilisation, 1977 Page 154-155
৩৩। Law, B C. The Tribes in Ancient India, Poona 1943 Page-2

---

## হাজং ঃ এটি পৰিচয়

শ্ৰীপৰেশ হাজং

কেইটামান বছৰৰ আগতে অৰ্থাৎ মেঘালয় ৰাজ্য জন্ম হোৱাৰ আগ-মুহূৰ্ত্তত খাচিয়া-জয়ন্তীয়া আৰু গাৰোপাহাৰ জিলা দুখন অসমৰ লগতেই আছিল। তেতিয়া গাৰোপাহাৰ জিলাৰ হাজং জন-জাতি সকলে নিজকে অসমীয়া বুলি পৰিচয় দিছিল। অসমীয়া বুলি চিনাকী দি গৌৰৱ বোধ



OKDISCD

কৰিছিল। অসমীয়া ভাষা শিকিবলৈও ভাল পাইছিল। অসমীয়াতে কথা-বতৰা পাতিবলৈ পালে আনন্দ পাইছিল। তেওঁলোকে বিশ্বাস কৰে যে, আদিতে তেওঁলোক অসমৰ কামৰূপ জিলাৰ হাজো অঞ্চলৰ লোক আছিল। জনশ্ৰুতি মতে মহাবীৰ কুমাৰ ভাস্কৰ বৰ্ম্মা আৰু ভৱত বৰ্ম্মনৰ ৰাজত্ব কালৰ পিছত হাজো নগৰ ধ্বংস প্ৰাপ্ত হৈ যায়। তেতিয়াৰ পৰা ৰাজবংশ বা ৰাজবংশীয় সকল নানা ঠাইত বিয়পি পৰে। সেই সময়তে "কশ্যপ" নামৰ এজন বীৰ পুৰুষৰ নেতৃত্বত বাৰ হেজাৰ সৈন্য হাজো নগৰ এৰি গাৰো পাহাৰলৈ সোমাই গৈ স্থায়ী ভাৱে বসতি স্থাপন কৰিবলৈ লয়। তেওঁলোকে প্ৰথমতে যি ঠাইত থাকিবলৈ লৈছিল, সেই ঠাই খণ্ডৰ নাম ৰখা হ'ল "বাৰ হাজাৰী"। আজিও সেই ঠাই ডোখৰত হাজং মানুহে বসবাস কৰি আছে। কালক্ৰমত তাৰ পৰা গাৰো-পাহাৰ, গোৱালপাৰা আৰু বাংলাদেশৰ বিভিন্ন ঠাইত ৰাজবংশীয় সকল সিঁচৰিত হৈ পৰে। এই পলৰীয়া ৰাজবংশীয় সকলেই শেষত নিজৰ আচল পৰিচয় গোপন কৰি হাজো নগৰৰ পৰা অহা কাৰণে নিজকে "হাজো" পিছলৈ "হাজং" বুলি পৰিচয় দিছিল। এই গোপন কৰা পৰিচয়ৰ আঁৰত আন এটা কিম্বদন্তি শুনিবলৈ পোৱা যায়। মহাভাৰতৰ যুগৰ অবন্তী ৰাজ্যৰ ক্ষত্ৰিয় ৰজা কাৰ্ত্তবীৰ্যাৰ্জুনে জামদাগ্নি মুনিৰ ওচৰত এটি অন্যায় আচৰণ কৰা হেতুকে মুনি পুত্ৰ পৰশুৰামে কুঠাৰাঘাটেৰে ক্ষত্ৰিয় বংশ ধ্বংস কৰিবলৈ লৈছিল। সেই সময়ত ৰাজপত্নী সুথমা দেৱী পঞ্চম মাহ গৰ্ভৱতী আছিল। তেওঁ পলাই গৈ কামৰূপ ৰাজ্যৰ কামাখ্যা দেৱালয়ত আশ্ৰয় লয়। তেওঁৰে গৰ্ভজাত সন্তান-সন্ততি সকল পৰশুৰামৰ ভয়ত ক্ষত্ৰিয় পৰিচয় গোপন কৰি নানা উপাধি ধৰে বুলি শুনা যায়। তাৰে ভিতৰত হাজং সকলেও "হাজং উপাধি ধাৰণ কৰাৰ কাৰণ বুলি কয়।

আন এটা উদাহৰণ মতে হাজং সকল গাৰোপাহাৰলৈ আহি প্ৰথমতে পাহাৰৰ নামনি ঠাইবোৰত গৰুৰে হালবাই খেতিবাতি কৰিবলৈ লৈছিল। হাজং সকলক নাঙলেৰে মাটি চহাই খেতি কৰা দেখি গাৰো সকলে তেওঁলোকক মাটিৰ পোঁকৰ লগত তুলনা কৰি "হাজং" বুলি মাতিছিল। গাৰো ভাষাত 'হা' মানে মাটি আৰু "জং" মানে পোঁক। তাৰ মানে মাটিৰ পোঁক। অৰ্থাৎ মাটি চহাই খোৱা মানুহ। মাটিৰ পোঁকৰ ভিতৰত প্ৰতিটো পোঁকেই কিন্তু মাটি খান্দিব নোৱাৰে। কুমতিয়েহে নাঙলৰ দৰে মাটি খান্দি যাব পাৰে। হাজং সকলে ইয়াক "হালোৱা পোঁকা" বুলি কয়। তাৰ মানে ইয়াকেই বুজায় যে, হাজং সকল "হালোৱা" অৰ্থাৎ "খেতিয়ক"।

কিছুমান পণ্ডিতৰ মতে হাজং সকল হেনো বড়ো কছাৰী বা ডিমাছা কছাৰীৰ এটা শাখা। কাৰণ কছাৰী সকলৰ ভাষাত যেনেকৈ অনুস্বাৰ (ং) প্ৰধান, হাজং সকলৰ ভাষাতো তেনেকৈ অনুস্বাৰৰ প্ৰাধান্য দেখা যায়। কছাৰী ভাষাত "হা" মানে মাটি আৰু "জং" মানে ওখ। তাৰ মানে ওখ মাটিৰ টিপ বা টিলা। উত্তৰ কাছাৰ পাৰ্ব্বত্য জিলাৰ মাইবঙৰ ওচৰত পাহাৰৰ ওখ টিলা দুখনত 'পুৰণা হাজং' আৰু 'নতুন হাজং' বুলি দুখন ডিমাছা জন জাতিৰ গাওঁ এতিয়াও আছে। সেই কাৰণে "হাজং" নামটো কছাৰী ভাষাৰ পৰা উদ্ভৱ হোৱা কথাটোক একেবাৰে পেলাই দিব নোৱাৰি।

সেইবোৰ যিয়ে ন'হক, হাজং সকল যে আদিতে অসমৰেই আদিবাসী আছিল সেই কথা প্ৰতিজন সমাজ বৈজ্ঞানীকে কব বিচাৰে। কিন্তু অসমৰ অতীত বুৰঞ্জী হাজং সকলৰ বাবে নিমাত। যাৰ ফলত প্ৰতিজন অসমীয়া সম্প্ৰদায়েই হাজং সকলৰ বিষয়ে একো নাজানে। সেয়ে হাজং মানুহ লগ পালে আজিও সোধে বা প্ৰশ্ন কৰে যে, হাজং সকল কি জাতি? অসমীয়া নে বঙালী? এনে নানা ধৰণৰ তিতা-কেঁহা প্ৰশ্নৰ অৱতাৰণা এই জন লিখকো অসমৰ বিভিন্ন ঠাইত ঘুৰি ফুৰোঁতে পৰিৱেশ-পৰিস্থিতি অনুযায়ী প্ৰত্যুত্তৰ দিবলগীয়া হৈছিল। সেয়েহে হাজং সকল এতিয়া নিজকে এটা স্বকীয়া "হাজং" জাতি বুলি পৰিচয় দিবলৈ চেষ্টা





OKDISCD

কৰা দেখা গৈছে। তেওঁলোকৰ ভাষাও এটা স্বকীয়া "হাজং" ভাষা বুলি কব বিচাৰিছে। লাহে লাহে তেওঁলোকে অসমীয়া ভাষাৰ প্ৰতি পিঠি দিয়া দেখা গৈছে। এতিয়া ইংৰাজী ভাষাৰ প্ৰতিহে বিশেষ অনুৰাগ দেখা গৈছে।

অসম আৰু মেঘালয়ৰ বহুতো হাজং গাওঁবোৰত অসমীয়া মাধ্যমৰ স্কুল আছে। তেওঁলোকে অসমীয়া ভাষা শিকিবলৈও বৰ ভাল পায়। তেওঁলোকে মৰ্মে মৰ্মে অনুভৱ কৰে যে, হাজং আৰু অসমীয়া ভাষাৰ মাজত তেনেই সামান্যতমহে পাৰ্থক্য আছে আৰু এই পাৰ্থক্য চিলেটৰ বঙালী ভাষা আৰু বঙ্গৰ আন আন অংশৰ বঙালী ভাষাৰ মাজত থকা পাৰ্থক্যতকৈ বহুত কম। ১৯৬৪ চনত গোৱালপাৰা জিলাৰ মাটিয়া কেম্পৰ এজন হাজং শিক্ষকে কোৱা এষাৰ কথা মোৰ স্মৃতিৰ পটত আজিও জল জলকৈ ভাঁহি উঠে। তেখেতে কৈছিল যে, "বাংলা দেশত থাকোঁতে তেওঁলোকে (হাজং সকলে) হাজং ভষা এৰি বাংলা ভাষাটোকে নিজৰ মাতৃভাষা হিচাবে গ্ৰহণ কৰাৰ চেষ্টা কৰিছিল। কিন্তু অসমলৈ আহি যিটো ভাষা এৰি দিব বিচাৰিছিলে, পুনৰ সেই ভাষাটোকে শিকিব লগীয়া হৈছে।" গতিকে দেখা যায় বাংলা ভাষাতকৈ অসমীয়া ভাষা হাজং সকলৰ অতি আপোন-বুকুৰ কুটুম।

এই পৰিপ্ৰেক্ষিতত কবলৈ দৃঢ়তা জন্মে যে, আচলতে হাজং সকল অসমীয়া। অসমেই তেওঁলোকৰ পূৰ্ব্বপুৰুষৰ আদি বাসস্থান।

কেতবোৰ বিভেদকামী সমালোচকে কব বিচাৰে যে, হাজো অঞ্চলত হাজং সকলৰ কোনো স্মৃতি চিহ্ন দেখিবলৈ পোৱা নেযায়। গতিকে হাজং সকল আদিতে হাজো পৰগণাৰ লোক আছিল বুলি কোৱাটো কোনো যুক্তি সংগত নহয়।

"হাজং" নামাকৰন হাজো নগৰৰ পৰা পলাই অহাৰ বহুত পিছত হোৱা নাম। এই নাম গাৰোভাই সকলে দিয়াই হওক বা বড়ো ভাষাৰ পৰাই অহা হওক বা যিকোনো কাৰণতেই হওক, হাজো নগৰৰ বাহিৰত



হোৱা নাম গতিকে চিহ্ন থকাৰ প্ৰশ্ন উঠিব নোৱাৰে। সমালোচক সকলে সমদৃষ্টিৰে চালেই এই কথা নিশ্চয় পৰিস্কাৰ হৈ পৰিব।

উত্তৰ-পূৱ ভাৰতৰ প্ৰতিজন হাজং মানুহে হাড়ে-হিমজুৱে বিশ্বাস কৰে যে, তেওঁলোকে আদিতে অসমৰ কামৰূপ জিলাৰ হাজো পৰগণাৰ আদিবাসী আছিল। যি বিশ্বাস তেওঁলোকৰ কলিজাৰ কেঁচা তেজৰ সতে প্ৰবাহিত হৈ আছে সেই বিশ্বাসেই চিৰ সত্য বুলি কোৱাৰ শক্তিশালী ঐতিহাসিক কাৰণ থকা বুলি কোৱাৰ থল থকা দেখা যায়।

এই ক্ষেত্ৰত সাহিত্যিক সমালোচক সকলে হাজং সকলৰ বিভিন্ন বিষয়ে লিখা-মেলাৰ দায়িত্ব বহন কৰিলে হাজং সকল দৃষ্টিৰ আঁৰৰ পৰা ওলাই অহাৰ সুবিধা পাব।

---

## "জনজাতিঃ এটি পৰ্য্যালোচনা"

*শ্ৰীচক্ৰ ধ্বৰ বড়ো*

এক নিৰ্দ্দিষ্ট ভৌগোলিক সীমা ৰেখা টানি জনজাতি সকলৰ স্থিতি নিৰ্ণয় কৰাটো অত্যন্ত কঠিন। বিভিন্ন সময়ত, বিভিন্ন ঘাট প্ৰতিঘাটত প্ৰাগ-ঐতিহাসিক কালৰ পৰাই অসম তথা উত্তৰ পূৱ ভাৰতলৈ প্ৰব্ৰজন হোৱা লোক সকলৰ ভিতৰত বেছি ভাগেই আছিল জনজাতি। বৰ্ত্তমানৰ ভৌগলিক তথা ৰাজনৈতিক পৰিসীমাৰ অসম খণ্ডতে নাথাকি বিশেষ ঐতিহাসিক কাৰণত উত্তৰ পূৰ্ব্বাঞ্চলৰ বিভিন্ন ৰাজ্যত ইহঁত সিঁচৰিত হৈ পৰে। সেয়েহে জনজাতি বুলি কলে সম্প্ৰতি অসমত থকা জনজাতি সকলকে মাথো নুবুজায়; উত্তৰ পূৰ্ব্বাঞ্চলৰ অন্যান্য ৰাজ্যত বাস কৰি থকা জনজাতি সকললৈও ই সম্প্ৰসাৰিত হয়।



OKDISCD

খৃঃ পূঃ ২০০০ মান বছৰৰ আগতেই মঙ্গোলীয় গোষ্ঠীৰ লোক আহি অসমত প্ৰবেশ কৰে আৰু পিছলৈ ভাৰতবৰ্ষৰ আন্যান্য ৰাজ্যলৈ ইহঁত প্ৰব্ৰজিত হয়। আকৌ উত্তৰ ফালৰ পৰা অন্য এচাম সম্প্ৰদায়ৰ প্ৰব্ৰজন ঘটে। কালৰ সোঁতত এই দুই জন গোষ্ঠীৰ সংমিশ্ৰণ আৰু সমন্বয়ত প্ৰাচীন জনগোষ্ঠীৰ ভেটি গঢ়ি উঠে। সেই সময়ত অসমত প্ৰবেশ কৰা জনজাতি সকলৰ ভিতৰত "ইন্দোচীন-ভাষিক" গোষ্ঠীৰ দুই প্ৰধান উপগোষ্ঠী আছিল মনমেৰ আৰু তিব্বৰ্ত বৰ্ম্মী। আন এটা গোষ্ঠী আছিল "চিয়ামিজ-চীন"। ঐতিহাসিক তথ্য মতে মনমেৰ সকলক তিৰ্ব্বত বৰ্ম্মী লোক সকলে পাহাৰলৈ খেদি পঠায়। খাচী লোক সকল এই সম্প্ৰদায়ৰ লোক। এইটো ঠিক যে তীৰ্ব্বত বৰ্ম্মী লোক সকল আকৌ তিনিটা ভাগত বিভক্ত—নগা, কুকিচীন, আৰু বড়ো।

যি সময়ত মঙ্গোলীয় গোষ্ঠীৰ লোক অসমত প্ৰবেশ কৰে প্ৰায় সেই সময়তে ভাৰতবৰ্ষৰ উত্তৰ ফালৰ পৰা আহি আৰ্য্য সকলেও অসমত প্ৰবেশ কৰে। এই দুই গোষ্ঠীৰ সংমিশ্ৰনৰ প্ৰভাৱ আজিৰ জনজাতি সকলৰ ওপৰত বাৰুকৈয়ে পৰিছে।

আৰ্য্য সকলৰ প্ৰভাৱ মঙ্গোলীয় সকলৰ ওপৰত পৰা বাবেই জনজাতি সকলৰ বহুতেই হেনো হিন্দু ধৰ্ম্মৰ প্ৰতি আকৃষ্ট হয়।

অসমৰ ভৌগলিক পৰিবেশ যেনেদৰে বৈচিত্ৰময় ঠিক তেনেদৰে সামাজিক ৰীতি নীতি, সংস্কৃতিক ঐতিহ্যৰে চহকী এই জন জাতি লোক সকল। প্ৰত্যেকজনী জনজাতিৰ মহিলা যেনেদৰে এক গৰাকী নিপুণ শিপিনী, প্ৰতিজন পুৰুষ তেনেকৈ অফুৰন্ত শক্তি থকা একো একোজন কৃষক। মুঠৰ ওপৰত কব গলে—ইহঁতৰ বোৱাকটা, কৃষি পদ্ধতিৰ কৌশলেই আজিৰ অসমীয়া জন-জীৱনক অধিক প্ৰভাৱশালী হোৱাত সহায় কৰিছে। এওলোকৰ অৰ্থনৈতিক আৰু সামাজিক প্ৰগতিৰ কথা বাদ দি অসমৰ প্ৰগতিৰ কথা চিন্তা কৰিব নোৱাৰি। কিয়নো অসমৰ সংস্কৃতি বুলি কলে এক বিশেষ জনগোষ্ঠীৰ কথা নুবুজায় অসমত বাস কৰি



থকা বিভিন্ন জনগোষ্ঠীৰ বিভিন্ন সময়ত সংমিশ্ৰণত হোৱা এক উমৈহতীয়া সংস্কৃতিহে। সেই বাবেই জনজাতি সকলৰ অবদান অসমৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক দিশত বিশেষ স্থানেৰে ওতপ্ৰোতঃ ভাবে জড়িত।

জন সংখ্যাৰ ফালৰ পৰাও ইহঁত চহকী। অসমৰ মুঠ জন সংখ্যাৰ প্ৰায় ১১ শতাংশই জনজাতিৰ লোক। ১৯৭১ চনৰ লোক পিয়লমতে জিলাভিত্তিত জনজাতি লোকৰ সংখ্যা আছিল গোৱালপাৰা, ৩০৮,১৮৭, কামৰূপ ২৯,৪৪,০৯০, দৰং ১,৮৫,৬৪০, নওগাং ১,২৫,১১৫, শিবসাগৰ ১২৫,৩১১, লক্ষীমপুৰ ২০,৫,৬৪০, ডিব্ৰুগড়ত ৮১৪৮৯, কাৰ্বি আংলংত ২১০০৩৯, উত্তৰ কাছাৰত ৫২৬৮৩, আৰু কাছাৰত ১,৫২,২৮৩। এই সকলৰ ভিতৰত বড়ো কছাৰীৰ জনসংখ্যা হল ৬১০৪৫৯, যিৰি ২৫৯,৫৫১, মিৰিক ১৭৭১৯৪, ৰাভা ১৩৮২৩০, লালুং ৯৫৬০৯, ডিমাছা ৩৯৩৭১, কুকি ১৩৫২৪, বৰ্ম্মন (কাছাৰ) ১৩২১০, দেউৰী ২৩০৪০, গাৰো ৯১৩৯, নাগা ৮৪৮১

খাচী জয়ন্তীয়া ৬৪৮৭, হামাৰ ৫৩৮০, হোজাই ২২৯৮, মেচ ২৫৭০, মান ৯৬৪, মিজো ৭১১, চাইন্‌লুং ৬১১, চাকমা ৩৯৬, হাজং ৩৮৪, শাই ৬ আৰু লাখাৰ ১, গোৱালপাৰাতেই অধিক সংখ্যক জনজাতি লোক থকা দেখা যায়। তাৰ পিছতেই ক্ৰমান্বয়ে হল কামৰূপ, দৰং আৰু লক্ষীমপুৰ।

এই লোক সকলৰ শিক্ষিতৰ হাৰ শতকৰা হিচাপত এনে ধৰণৰ মিজো ৫১.৯২, হামাৰ ২১.৬৬, বৰ্ম্মণ ২২.৫৬, বড়ো কাছাৰী ২৩.৫১, চাকমা ২৩.৪৮, দেউৰী ২৭.৭২, ডিমাছা (কছাৰী) ১৮.৮৪, গাৰো ২২.৮৯, হাজং ১০.৮৮, হোজাই ২৭.৭২, খাচী জয়ন্তীয়া ১৮.২৭, কুকি ২৮.৫১, লখাৰ ১০০, লালুং ২১.৪৩, মাল ৭.৯৯, মেছ ৩০.৫৮, মিকিৰ ১৮.২০, মগা ১৫.৫১, লায় ১৬.৬৭, ৰাভা ২২.২৪, চাইনলুং ৪.৯১, সেয়েহে জনজাতি সকলৰ শিক্ষিতৰ হাৰ গড়ে ২০,৬৭।



OKDISCD

পাহাৰ ভুখনৰ জনজাতীয় সকলক বাদ দি ভৈয়ামৰ জনজাতি সকল ৯টা ভাগত বিভক্ত। কাছাৰৰ বৰ্ম্মন বড়ো, বড়ো-কছাৰী, দেউৰী, হোজাই, কছাৰী ( সোনোৱাল ) লালুং, মেছ, মিৰি আৰু ৰাভা। পাহাৰ ভুখনত বাস কৰা জনজাতি সকলৰ ভিতৰত কাৰ্বি আংলংতেই কাৰ্বি সকলেই সংখ্যাধিক্য।

জনজাতি সকলৰ অৰ্থনীতি কাৰ্য্যতঃ কৃষিভিত্তিক। জনসংখ্যা বৃদ্ধি হৈ অহাৰ লগে লগে এই লোক সকল জীবিকা নিৰ্ব্বাহৰ বাবে অন্যানো অৰ্থ নৈতিক প্ৰশ্ন জড়িত থকা পথ অবলম্বন কৰিব লগা হয়। পাহাৰৰ জনজাতি লোক সকল সাধাৰণতে ঝুম খেতিকে বেছিকৈ কৰে অবশ্য ৰবিশস্যও ইহতে কৰে। এইটো ঠিক যে পাহাৰত প্ৰায়ে ঝুম খেতিয়ে ভূমি খলণত সহায় কৰে সেয়েহে বিকল্প ব্যৱস্থা হিচাবে পাহাৰত মাটি কঠাল, কল, আদা, জলকীয়া আদিৰ খেতি কৰাত অগ্ৰাধিকাৰ দিয়া হয়। ইয়াৰ উপৰিও কফি, ৰবৰৰ খেতিত বৰ্ত্তমানত কৰা দেখা যায়।

মনকৰিবলগীয়া যে প্ৰাগ ঐতিহাসিক কালৰ পৰা অসমলৈ অহা বিভিন্ন জনজাতিৰ সকলৰ স্বকীয়া স্বকীয়া ভাষা, কৃষ্টি, সংস্কৃতি, ধৰ্ম্ম আদি থকা স্বত্বেও ইহঁত হৈ পৰিছে একক আৰু অদ্বিতীয়। কৃষ্টি সংস্কৃতিৰে ইহঁত চহকী। এওঁলোকক অনুন্নত এই শব্দ বিশেষণেৰে শ্ৰেণীভুক্ত কৰা মানসিকতাক পৰিবৰ্ত্তণ কৰাৰ সময় আজি সচাঁকৈ আহি পৰিছে।

———

সহায় লোৱা হৈছে ঃ—

১। “আমাৰ জনজাতি ঃ সামাজিক অৰ্থ নৈতিক বিকাস”
—লিখক দীনেশ ডেকা।

২। দাতাৰ উৎস— “*Assam Information*”



*কোচ কিম্বদন্তীৰ কাহিনী ঃ*

## ফপেৰাজা আৰু নাৰীপলা

*—খলিন কোচ*

মেঘালয় ৰাজ্যৰ পশ্চিম গাৰোপাহাৰ জিলাৰ সদৰ তুৰা চহৰৰ পৰা প্ৰায় ত্ৰিশ কিলোমিটাৰ মান দূৰত গাৰোবাধা অঞ্চলত আন্ধাৰ কোণা গাওঁৰ ওচৰত এটি পৰ্ব্বতৰ গুহাত কেইটিমান সৰু সুৰা প্ৰাচীন সুৰঙ্গ এতিয়াও দেখিবলৈ পোৱা যায়। এই প্ৰাচীন সুৰঙ্গবোৰ আজিও ‘ফপেৰাজা গাঁতা’ নামে পৰিচিত। ‘ফপেৰাজা গাঁতা’ থকা পৰ্ব্বতৰ গুহাবোৰত ওচৰা ওচৰিকৈ সৰু সৰু ৩/৪টা মান সুৰঙ্গ আজিলৈকে স্পষ্ট বিদ্যমান। প্ৰধান সুৰঙ্গয়েদি থিয়হৈ মানুহ কিছুদূৰ লৈ সোমাই যাব পাৰে। চ'ত মাহৰ খৰাং বতৰতো তাৰ পৰা বৰ তীব্ৰ গতিৰে পানী ওলাই থাকে। আন্ধাৰকোণা গাওঁৰ সমুখেদি বৈ যোৱা সৰু জানটোৱেই ফপে ৰাজা ঝৰা, আৰু ই পশ্চিমলৈ বৈ গৈ গাৰোবাধা পোৱাৰ আগতে কালোনৈত পৰিছে। এই ‘ফপেৰাজা গাঁতা’ বোৰক এনে অভিনৱ ভাৱে সৃষ্টি কৰিছে যে, দেখিলে বৰ আচৰিত লাগে। বৰ্ত্তমান মেঘালয় চৰকাৰে ‘ফপেৰাজা গাঁতা’ৰ মুখত পকা বান্ধ দি আন্ধাৰ কোণা অঞ্চলত পানী যোগানৰ ব্যবস্থা কৰিছে।

কৰাইবাৰী অঞ্চলৰ কোচ সকলৰ কিম্বদন্তীত পোৱা যায়, পুৰণি কালত সেই গুহাৰ সুৰঙ্গত ‘ফপে ৰাজা’ নামে এটি প্ৰকাণ্ড অজগৰ সাপ বাস কৰিছিল। এই অঞ্চলৰ আদিবাসী কোচ সকলে ফপে ৰাজাৰ বাৰ্ষিক খাজনা বাবদ প্ৰতি বছৰে প্ৰতি ঘৰৰ পৰা একোজনকৈ মানুহ আৰু গাৰো সকলে একো পাৰিকৈ কপাহ তুলা দিবলৈ পাল পাতি লৈছিল। যদি কোনো দুৰ্বিপাকত মানুহ দিব পৰা নাছিল, তেতিয়া হলে খঙেৰে ফপেৰাজাই গাঁতৰ পৰা ওলাই সকলো গাওঁৰাসীক



OKDISCD

নির্বিচাৰে হত্যা কৰিছিল। বহু যুগলৈকে এই অত্যাচাৰী সর্পৰাজাৰ কবলৰ পৰা ৰক্ষা পোৱাৰ কোনো উপায় তেওঁলোকে পোৱা নাছিল।

এদিন কমলা কাঙৰ পুতেক বগাৰামৰ ভাগ্যত এই কাল অভিশাপ নামি আহিল। বিধবা জননী মাধবীয়ে এই খবৰ পাই বলিয়া হোৱাদি হৈ হিয়া ধাকুৰি কান্দিব ধৰিলে। মাকৰ কান্দোন দেখি নাৰীপলা (বিধবাৰ পুত্ৰ) বগাৰামে ক'লে,—"নেকান্দিবা আই, ৰাইজে ৰাইজৰ মঙ্গলৰ কাৰণে পাল পাতি দিছে যেতিয়া আমাৰ ঘৰৰ পৰা বলিহৈ মৱেই যাম। হয় মাৰিম, নহয় মৰিম। আশীৰ্ব্বাদ কৰা আই, মা কামাখ্যালৈ প্ৰাৰ্থনা জনোৱা, যেন অত্যাচাৰী ফপে ৰাজাক বধ কৰি মই আকৌ তোমাৰ ওচৰত আহিব পাৰোঁ।"

নির্দিষ্ট দিনত অঞ্চলৰ কোচ নেতা হাবগং আৰু ৰানাং চৰ্দাৰে নাৰীপলা বগাৰামৰ হাত-ভৰি বান্ধি ফপেৰাজাৰ গাঁতৰ সমুখত পেলাই থৈ আহিল। ইপিনে বুদ্ধিমান বগাৰামে আগদিনাই ফপেৰাজাৰ গাঁতৰ সমুখত বালি-মাটিৰ তলত এখন তীক্ষ্ণ ধাৰ তৰোৱাল লুকুৱাই থৈ আহিছিল। পৰম শক্তিবান বগাৰামে নিজৰ বান্ধোন চিঙিপেলাই তীক্ষ্ণ ধাৰ তৰোৱালখন হাতত লৈ সুৰঙ্গৰ সমুখত ফপেৰাজালৈ বাট চাই থাকিল। ক্ষন্তেক পিছত ফোঁ-ফোঁ কৈ ফোঁপাই ভয়ঙ্কৰ গৰ্জন কৰি ফপেৰাজাই তেওঁক খাবলৈ সুৰঙ্গৰ বাহিৰলৈ ওলাই আহিল। লগে লগে কোচবীৰ বগাৰামৰ চোকা তৰোৱালখন ফপেৰাজাক কাটি টুকুৰা টুকুৰা কৰি পেলালে। কিন্তু কি আশ্চৰ্য্য, সৰ্পৰাজাৰ কেঁচা তেজ মাটিত পৰাৰ লগে লগে শত সহস্ৰ সাপ সৃষ্টিহৈ একযোগে বগাৰামৰ গিলিবলৈ আগবাঢ়ি আহিবলৈ ধৰিলে। নিৰ্ভীক বীৰ বগাৰামে ক্ৰমে তিনি দিন তিনিৰাতি এই হাজাৰ হাজাৰ সাপৰ লগত যুঁজ কৰি থাকিল।

অৱশেষত তেওঁ ক্লান্তহৈ পৰিল। তেওঁ আৰাধ্য দেৱী কামাখ্যাক স্মৰণ কৰিলে। এনেতে আকাশবাণী হ'ল,— "হেৰা নাৰীপলা, তুমি



সোঁহাতেৰে কাটি বাওঁ হাতেৰে ৰক্তবোৰ মুচি পেলোৱা। তেতিয়াহে তুমি তাক বধ কৰিব পাৰিবা।" বগাৰামেও অনুৰূপ ভাবে ফপেৰাজাৰ সৰ্পবংশক সমূলে ধ্বংস কৰি ক্লান্ত দেহেৰে মাটিত বাগৰি পৰি গভীৰ নিদ্ৰা মগ্ন হ'ল। শিয়াল-শগুণ আৰু কাউৰীবোৰে মহা উল্লাসত সৰ্প-ৰাজৰ মংহ খাবলৈ ধৰিলে। তাকে দেখি গাওঁৰ মানুহ বিলাকে চাবলৈ আহিল আৰু টোপনিত লাল কালহৈ পৰি থকা নাৰীপলা বগাৰামক দেখি সকলোৱে বিস্মিত হৈ গ'ল। পিছত তেওঁক জগাই তুলি পৰম আদৰেৰে গাওঁলে লৈ যোৱা হ'ল। অঞ্চলৰ নেতা হাবগং আৰু ৰানাং চৰ্দাৰে ঘোষনা কৰি দিলে,— "যিজন ভয়ানক ফপেৰাজাৰ কবলৰ পৰা আমাক চিৰদিনৰ কাৰণে ৰক্ষা কৰিলে, আজিৰ পৰা আমি তেওঁকে ৰজা বুলি মানিম।"

প্ৰবাদ আছে যে, বগাৰামৰ আন এটি নাম হেনো কশ্যপ? ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত জিঞ্জিৰাম আৰু কালো নৈৰ বিধৌত অঞ্চলত বগাৰাম ওৰফে কশ্যপ নাৰায়ণে এককালত সগৌৰৱে ৰাজত্ব কৰিছিল। তেওঁ নিজৰ নামেৰে কশ্যপ নগৰ নাম দি ৰাজধানী স্থাপন কৰে। মতান্তৰে সেই কশ্যপ নগৰ, কোচ আৱানি নগৰ কোচৱানগৰ নামে অভিহিত হয়।

---

* [ফগেৰাজাক বধ কৰা নাৰীপলা বগাৰামৰ তৰোৱালখন চেল-চেলা ব্লকৰ অন্তৰ্গত খাচেংপাৰা কোচ গাওঁত তেওঁৰ বংশধৰ এজনৰ ঘৰত এতিয়াও আছে বুলি শুনা যায়। ]

* কৰাইবাৰী অঞ্চলৰ কোচ বুঢ়া-বুঢ়ী সকলৰ মুখে মুখে এই ফপেৰাজাৰ কাহিনী পৰমপৰা ৰূপে চলি আহিছে। ময়ো উত্তৰ পুৰুষ কোচ সকলৰ মুখত এই কিম্বদন্তীৰ কাহিনীটি শুনি শুনিহে লিখিলোঁ, বাহিৰত প্ৰচাৰ হওক বুলি— লিখক।



OKDISCD

# সিপাৰে যৌৱন

—নিৰ্ম্মল কোচ

গাৱলে' গৈছিলোঁ। মোৰ চিৰ চেনেহী উমাল-কোমল কুমলী গাৱলে'। টাউনৰ দূষিত বায়ু, যান্ত্ৰিক শব্দবোৰে কেতিয়াবা মনৰ মাজত তিক্ততা আনি দিয়ে। গাৱঁৰ এ আকাশ মুক্ত বতাহত উশাহ লবলে' পালে হুনাই টাউনলে' উভটাৰ কথাটো মনতে বৰ বেজাৰ দিয়ে। তথাপি কৰ্ত্তব্যৰ খাতিৰত যেন বন্দী হৈ পৰোঁ। ব্যস্ততাৰ মায়াজালত আৱদ্ধ হৈ কেতিয়াবা গাৱঁৰ উৎসৱ-পাৰ্ব্বনৰ কথাবোৰকেই পাহৰি থাকো। বহুতে ভাবে, টাউনত থকাবোৰে গাওঁখনৰ কথা ভাৱিবলৈকে পাহৰি যোৱা বুলি। মোৰ বোধেৰে এয়া ভুল ধাৰণা। প্ৰাণৰো প্ৰাণৰ গাওঁ, যিখন গাৱঁৰ ধুলি-বালি খেলি ডাঙৰ হৈছোঁ, যাৰ কেঁচা মাটিৰ গন্ধ আশৈশৱ চিনাহী, প্ৰতিটো বাট-পথ, গছ-গছনি, চকু মুদিলেই পাৰ হোৱা চিনাকী মানুহ আৰু গাৱঁৰ ভাৱক্তিম গধূলি কাৰো পক্ষে পাহৰা সম্ভৱ নহয়। সেয়ে লৰৰি আহিছোঁ গাৱলে'— অৱশ্যে বহুদিন বিৰতিৰ পাছত। ঘৰ পাই সকলোৰে মুখবোৰ চাই বিমল তৃপ্তি পাইছোঁ, এক গভীৰ আশ্বাসত নিজকে ধন্য মানিছোঁ। খোৱা পৰ্ব্ব শেষ কৰি সুখ দুখৰ গল্প কৰাৰ পাছতে মোৰ ভাহানিয়ে শোৱা আঁচুতীয়া কোঠালীৰ পালেং খনতে বাগৰ দিলোঁ। তথাপি টোপনি অহাৰ সম্ভাৱনা তেতিয়াও যেন বহু দূৰত।………

ৰাস্তাত ঘটা ঘটনাটোকে মনে মনে পাগুলিছোঁ। এইমাত্ৰ ঘৰতো তাকে ল'ই আলোচনা বিলোচনাও হ'ল। ৰাতি ক্ৰমে গভীৰ হৈ অহাৰ লগে লগে দৃশ্যবোৰ এটাৰ পিছত এটাকৈ স্পষ্টৰ পৰা স্পষ্টতৰ হৈ ধৰা দিবলৈ ধৰিলে। মঙ্গলাকাই নথকা হলে আজি মোৰ ফালে আধ্যাই পৰিলহেতেন। ৰাতিপুৱাৰ ধাৰাসাৰ বৰষুণৰ ফলত আগবেলাৰ গাড়ীখন ধৰাই নহ'ল। ভাঁটিবেলাৰ গাড়ীখনত মানিকাচৰ পালোঁ। মানিকাচৰৰ পৰা আমাৰ গাওঁখনলে' আৰু দুঘণ্টাৰ বাট। যান-বাহন একোকে নচলে। গতিকে পদযাত্ৰাই গতি হ'ল। লগত বস্তু বাহানি বুলিবলৈ একো নাই— মাত্ৰ এয়াৰ ব্যাগ এখন, গতিকে অসুবিধা একো নাই। গাড়ীখন মানিকাচৰ পাওঁতেই মুনিচুনি বেলি হ'ল। মানিকাচৰতেই ৰাতিটো কটোৱাৰ উদ্দেশ্যেৰে ইফলে-সিফলে কৰি থাকোতেই মঙ্গলা কাইৰ সতে মোৰ সাক্ষাৎ হ'ল। বহুত দিন নেদেখাৰ কাৰণেই নেকি মঙ্গলা কায়ে প্ৰায় চিঞৰি য়ে মাতিলে,— "হেই, জোন বোপা চোন। কৰ পৰা ওলালাহি ? গাৱলে'যাবা লেকি ?" মঙ্গলাকাইৰ প্ৰশ্নসোপাৰ দৰে মেয়োএকে উশাহত উত্তৰ দি গলোঁ,— এৰা মঙ্গলাকাই, ঘৰলৈকে যাম বুলি ওলালোঁহি। আটৈ বজাৰ গাড়ীত তুৰাৰ পৰা এইমাত্ৰ নামিছোঁ। মঙ্গলাকায়ে কাণত গুজি ৰখা আধা পোৰা বিড়িটো জ্বলাই পৰম তৃপ্তিৰে সোপা এটা মাৰি কলে— "বৰ সুখ পালোঁ। মোৰো লগ হ'ল। অকলে যাবলে' ভয়ে লাগি আছিল। খৰি এভাৰ আনিছিলোঁ, বিক্ৰি কৰোতে প্ৰায় সন্ধিয়াই লাগিল। আমাৰ যিহে কপাল বোপা, খৰিডাল বিক্ৰি নকৰা হলে পেটত ভাত নপৰেই।" শুনি মোৰো বৰ দুখ লাগিল।

এইদৰে ইটো-সিটো সুখ দুখৰ কথা পাতি আহি আছোঁ। মাজতে এখন নৈ পাৰ হব লাগে, দৰনী নৈ খন। আকাশত একাদশীৰ জোন ওলাইছে। মাজে মাজে চপৰা-চপৰে ক'লা ডাৱৰ। পাণ্ডুৰ জোনৰ ছাঁ পৰি নৈৰ দুয়োপাৰ ধূসৰ জোনাকেৰে উদ্ভাসিত হৈ উঠিছে। ভাঁটিফালে আকৌ ৰিৰিণা বনৰ ঝোপ। নৈৰ ঘাটখন নিমাও মাও। কতো একো সাৰস্তুৰ নাই। কাপোৰ নাবাচে কাৰনে চুঙা পেণ্ট আৰু জোতাযোৰ খুলি নৈখন পাৰ হলোঁ। মঙ্গলাকাইৰ একাঠু হাতেবোৱা ধুতিখন খুলিব লগা নহ'ল। পাৰত আহি পেণ্টটো আৰু জোতাযোৰ পিন্ধিবলৈ লওঁতেই ভাঁটিফালৰ ৰিৰিণাবনৰ আঁৰৰ পৰা কিবা এটা অহা





OKDISCD

যেন গম পালোঁ। ছয়াময়া জোনাকত যি দেখা পালোঁ, সেয়া যেন নোহোৱা নোপোজা কাণ্ড। এটা প্ৰকাণ্ড বাঘ আমাৰ ফালেই ট-ট কৰি চাই আছে। লগে লগেই আন এটা বাঘ ওলাই আহি সিটোৰ মুখত কিবা এটা শুঙিবলৈ ধৰিলে। মোৰ কণ্ঠৰ পৰা অস্ফুট স্বৰ এটা ওলাই আহিল,— মঙ্গলাকাই বাঘ। মঙ্গলাকায়ো থৰ লাগি গ'ল। ভয়ত একো নাই হৈ,— মঙ্গলাকাই দৌৰা বুলি কৈয়ে ভিৰাই লৰ দিলোঁ। আগে আগে মই আৰু মঙ্গলাকাই পাছে পাছে। অবিৰাম দৌৰি দৌৰি সেহাই সেহাই জোলগাৱৰ এ ঘৰ গাৰো মানুহৰ ঘৰত চিধাই সুমালোঁ গৈ। মঙ্গলাকাই দুবাৰমান উজুটি খাই পৰি যোৱাৰ ফলত আঠুৰ ছাল ছিগি তেজ ওলাল। একে কোবে এবটি পানী খাইছে বৃত্তান্তটো কবলে' সাহ পালোঁ। বুকুত তেতিয়াওঁ ধান বানিয়ে আছিল। এনে অপ্ৰত্যা শিত ঘটনাৰ লগত কেতিয়াও সন্মুখীন হব লগা হোৱা নাছিল। গভীৰ অৰণ্যত বাঘ থকা কথাটো নজনা নহয়। কিন্তু সামান্য এডৰা বিৰিণা বনৰ আঁৰত এহাল বাঘ - বাঘিনী লুকাই থকা কথাটো মোৰ স্বপ্নৰো অগোচৰ আছিল। আমি আশ্ৰয়লোৱা ঘৰৰ গাৰো নক্‌মা জন হৃদয়বান আৰু দয়ালু প্ৰকৃতিৰ আছিল। প্ৰতি-ৱেশী দুজনমান লৈ আমাক তেওঁলোকে ঘৰৰ নঙলামুখলৈকে আগুৱাই থৈ গ'ল। নক্‌মাজন আৰু সঙ্গী সকলে ৰাস্তাই ৰাস্তাই যি কাহিনী কৈ শুনালে সেয়া এক হৃদয় বিদাৰক কাহিনী। এহাল বিয়েগান্তক দম্পতিৰ নাটৰ শেষ দৃশ্যৰ আঁৰৰ করুণ পৰিণতি।

গিৰীয়েক মুংৰান আৰু সহধৰ্ম্মিনীৰ নাম আছিল থেংচি। দুয়ো জোলগাৱৰে। প্ৰেম পাশত আবদ্ধ হৈ মুংৰান থেংচিলৈ চাৱাৰী ( ঘৰ জোৱাই ) সুমাইছে। বিয়াৰ দুবছৰৰ পাছতো কোনো সন্তান-সন্ততি নোপোজাত মুংৰানৰ অন্তৰত অহৰহ একুৰা বেদনাৰ জুই জ্বলিছিল। সহজ সৰল জনজাতীয় হোজা মানুহ মুংৰান সংমা। কিন্তু খং উঠিলে এই সকল জনজাতীয়ৰ হাতত বণৰ হিংস্ৰ জন্তুও হাৰ মানিব লগা



হয়। গাওঁখনৰ নিচেই ওচৰতে নালবুঢ়া পাহাৰটো। মুংৰান-থেংচি দুয়ো লগ লাগি তাতে আ'বা ( জুম খেতিৰ স্থান ) লৈছে। কাহিলি পুৱাতে দুয়ো, কেতিয়াবা মুংৰাং অকলে আ'বালৈ ওলাই যায়। থেংচিয়ে মুংৰানলৈ ভাতৰ টোপোলা কঢ়ি যায়। জুম খেতিৰ আঁৰে আঁৰে দুয়ো অনাগত ভৱিষ্যতৰ সোণস্বপ্ন সিঁচে। কিন্তু কালৰ নিষ্ঠুৰ পৰিহাসত সেই স্বপ্ন এ সময়ত থানবান হৈ যায়। জুমডৰা ভৰপক হবলে' নৌ-পাওঁতেই সিহঁতৰ দাম্পত্য প্ৰেমত ঘূণে ধৰে। তাৰ একমাত্ৰ কাৰণ, জোলগাৱৰ ফৰেষ্ট ৰেঞ্জ কোৱাৰ্টাৰলে' ধুমকেতুৰ দৰে অসিত চৌধুৰী নামৰ বঙালী ভদ্ৰলোকৰ আৱিৰ্ভাব। ভদ্ৰলোক জন চিকাৰ প্ৰিয়। জুম খেতিডৰাত পিয়াপি দি ফুৰা গাহৰিৰ অপেক্ষাত চৌধুৰীয়ে দুনলীয়া বন্দুকটো লৈ সদায় জোপ লৈ থাকে। থেংচিৰ উচ্ছল যৌৱন আৰু সৰলতাই ডেকা চৌধুৰীক মুগ্ধ কৰে। চিকাৰ কৰি কৰি ভাগৰি পৰিলে থেংচি হঁতৰ বুৰাঙত ( টুঙি ঘৰ ) জিৰণি লয়। মানুহজন গাৰোপাহাৰত বহুদিন বাস কৰা কাৰণে গাৰো ভাষা সলসলীয়াকৈ কব পাৰে। নানা ৰকমৰ ঠাট্টা মস্কৰাৰ মাজেৰে থেংচি আৰু চৌধুৰীবাবুৰ আন্তৰিকতা গঢ়ি উঠে। থেংচিৰ উচ্ছলতা দিনক দিনে বাঢ়ি যায়। মুংৰান লাহে লাহে অনুভৱ কৰে থেংচিৰ অবহেলা। বন জুই ৰু-ৰুৱাই পোৰাদি পোৰে মুংৰানৰ ৰক্তিম হৃদয়। তথাপি যেন মুংৰান নক্ৰেকৰ দৰেই মূক আৰু মৌন। তেজ মাংসৰে গঢ়া মানুহৰ ধৈৰ্য্যৰ এটা নিৰ্দ্দিষ্ট সীমা থাকে। মুংৰানো তাৰ ব্যতিক্ৰম নহ'ল।

এদিনাখন মুংৰান কুকুৰাই ডাক দিয়াৰ লগে লগেই মংৰেং ( এক প্ৰকাৰ কুঠাৰ লেখীয়া দা ) ডাল ল'ই আ'বালৈ ওলাই যায়। থেংচিয়ে তেতিয়াও শোৱা পাটিয়ে এৰা নাই। চাওঁতে চাওঁতে বেলি প্ৰায় দুপৰ হওঁ হওঁ হ'ল। মুংৰান ভোক-পিয়াহত অস্থিৰ হৈ পৰিছে। ইফালে থেংচিৰ সাৰস্তুৰেই নাই। অৱশেষত খং আৰু ক্ষোভত মুংৰান যেতিয়া হিতাহিত জ্ঞান শূণ্য হৈ পৰিছিল থিক তেনে সময়তে থেংচিয়ে ভাতৰ



OKDISCD

টোপোলা ল'ই তাত উপস্থিত হোৱাত মুংৰানৰ খং দুগুণে চৰিল। মুংৰানৰ মংৰেং ডাল হাতৰ মুঠিত আৰু যেন দৃঢ় হ'ল। চকুৰ পচাৰতে থেংচিৰ আৰ্ত্তনাদত গোটেই আ'বা নিনাদিত হৈ উঠিল। তেজেৰ লুতুৰি পুতুৰি হৈ এসময়ত থেংচিৰ দেহাটো চিৰদিনৰ কাৰণে স্তব্ধ হৈ যায়। থৰ লাগি থকা মুংৰানৰ বুকুৰ মাজেদিও ক্ষনিকতে বন্দুকৰ গুলি পাৰ হৈ যায়। —এয়া অসিত চৌধুৰীৰ জীৱনৰ যেন শ্ৰেষ্ঠ চিকাৰ। —গোটেই জোল গাওঁখনত হুৱা- হুৱা লাগি গ'ল। অন্যান্য ঠাইৰ পৰাও মাহাৰী ( জাতি ) বোৰ গোট খালে। সেই দিনাৰ পৰা চৌধুৰীবাবু কত লুকাল কোনেও কব নোৱাৰিলে। নালবুঢ়া পাহাৰৰ দাঁতিত জুমখেতি ডৰাতেই মুংৰান আৰু থেংচিৰ শৱ সংকাৰ কৰা হ'ল।

সেই ঘটনাৰ পাছৰ পৰাই দৰণীৰ পাৰৰ বালি চাপৰিত বাঘ-বাঘিনী ওলোৱা প্ৰায়বোৰ মানুহেই দেখিছে। গাৰো জনজাতি আনকি ইয়াৰ আশে-পাশে থকা কোচ, হাজং লোক সকলোৰো বিশ্বাস মুংৰান আৰু থেংচিৰ অতৃপ্ত আত্মাইহে এইদৰে ছয়াময়া জোনাকৰ পোহৰত দৰণীৰ নিজান পাৰত বাঘ-বাঘিনী ৰূপ ধৰি যেন সদায় উমলি ফুৰে। অতৃপ্ত যৌৱনে সিপাৰে গৈ পোখালি মেলিছে।

কিমান সময় বিচনাত পৰি আছিলোঁ ততকেই ধৰিব নোৱাৰিলোঁ। হাত ঘড়ীটোত এটা বাজিবলৈ দহ মিনিট বাকী আছিল। কোঠালী-টোৰ পৰা বাৰান্দালৈ ওলাই আহি দেখোঁ দুই এঠাইত বিজুলি জিলিকিছে। হয়তো বৰষুণ দিব। এনেতে শুনা গ'ল, জোল গাৱৰ সিফালৰ পৰাই ভাঁহি আহিছে আহুৰিৰ ( মহৰ শিঙৰ পেঁপা ) করুণ কোৱাছ। আহুৰিৰ করুণতাত ৰাতিখন যেন আৰু দুগুণে গভীৰ কৰি তুলিলে। প্ৰশ্ন জাগিল, জোলগাৱত আজিও নতুন কিবা এটা অঘটন ঘটা নাইতো ?—

—————



# —প্ৰত্যাবৰ্ত্তন—

জগদীশ পাটগিৰী

নতুন চহৰ খনত আহি নয়নৰ মুঠেও ভাল লগা নাছিল। এটা নতুন পৰিবেশ। তাৰোপৰি আটাইবোৰ মানুহেই তাৰ বাবে অচিনাকী। উপায় নাই। চাকৰিৰ খাতিৰ! ভাল লগা বেয়া লগালৈ বাট চাই থাকিলেতো নহব। চাকৰি কৰিবই লাগিব। ইয়ালৈ অহা তাৰ মাত্ৰ দুসপ্তাহ মানহে হৈছে। লাহে লাহে সকলো চিনাকী হৈ যাব। ভাল লাগিব, চিন্তা নাই। নিজকে এইদৰে বুজনি দি শান্তি লভে সি।

সেইদিনা শনিবাৰ। চেকেণ্ড চ্যাটাৰ দে। অফিচ বন্ধ। ইমান দীঘল দিনটো অকলে অকলে এনেই কটোৱাৰ কথা ভাবি তাৰ কিছু বিৰক্তি লাগিল। চহৰ খনকে এপাক চাই আহো বুলি চার্ট পেণ্ট যোৰ গাত সোমাই লৈ ৰাষ্টাত খোজ পেলালে। কিন্তু যাবনো কলৈ। কিছু দূৰগৈ ভাবিলে অফিচাৰৰ ঘৰলৈ যোৱাই ভাল হব। কিয়নো আজি বন্ধৰ দিন যেতিয়া তেওঁক ঘৰতে পোৱা যাব। আৰু প্ৰজেক্টটোৰ বিষয়ে তেওঁৰ সৈতে ব্যক্তিগত ভাবে আলোচনা কৰিলে বেচ বুদ্ধিমানৰ কাম কৰা হব।

নয়ন লাহে লাহে আগবাঢ়িল। ৰাজপথৰ গাড়ী মটৰ আৰু দোকান পোহাৰৰ ব্যস্ততাবোৰ দেখি তাৰ ভাল লাগি গল। অচিনাকী মানুহবোৰৰ মুখবোৰলৈ সহৃদয়ৰ দৃষ্টি নিক্ষেপন কৰিলে। ভাবশূণ্য গতি-বেগ। নয়নৰ ভাব হ'ল —এই অচিনাকী মানুহবোৰো অতি কম দিনৰ ভিতৰতেই তাৰ চিনাকী হৈ পৰিব। তাৰ এটা ভাল গুণ আছে। যি কোনো মানুহৰ সৈতে সি সহজে মিলি যাব পাৰে।

গৈ গৈ এটা কেঁকুৰী ঘূৰিবলৈ লৈছেহে। এনেতে কৰপৰা জানো এটা চেঙেলীয়া লৰা আহি সাউত কৰে তাৰ আগেৰে গুচি গ'ল। ইমান



OKDISCD

এনেকৈ চাইকেল চলাব লাগেনে। সি চমকি উঠিল।

নয়নে পুনৰ ভাবিলে— অফিচাৰৰ ঘৰবা কোনটো ?

—"হেৰি শুনকচোন।"

—"কি হ'ল"— বাটৰুৱাই গেঙনি মাৰি উঠিল।

—"ইঞ্জিনিয়াৰ মিঃ খাউণ্ডৰ ঘৰ কোনটো আপুনি জানে নেকি ? আপুনি কাইণ্ড্লী —" কথা শেষ হবলৈ নৌ পাওঁতেই মানুহজনে হাঁহি দিলে।

কলে— "এয়াই দেখোন তেওঁৰ ঘৰ। গেট খনতে তেওঁৰ নেম্ প্লেট লিখা আছে।" কথাৰ লগে লগে ঘূৰি চাই দেখে— হয়তো। তাৰ বৰ লাজ লাগিল। নামটো এবাৰ পঢ়ি ললে। "মিঃ প্ৰণয় জ্যোতি খাউণ্ড, বি, ই ; চি, চি, ডব্লিউ, ( চিভিল )"। গেটখন লাহেকৈ খুলি ভিতৰলৈ সোমাইছেহে, এনেতে কুকুৰৰ ভুক-ভুকনি আৰম্ভ। ভয়ে ভয়ে পটিকত খোজ পেলালে। চাৰিও ফালে এবাৰ চকু ফুৰালে। আহল বহল ঘৰ। দুৱাৰ খনক বাদদি এখন খিৰিকীও খোলা নাই। কাক নাম ধৰি মতা যায়। অচিনাকী ঘৰখনত খোলা দুৱাৰেৰে হুৰ-মূৰকৈ সোমাই গলেও অভদ্ৰামী কৰা হব। বৰ বিপাঙত পৰিলে নয়ন। ভাগ্য ভাল ক্ষন্তেক পিচতে "Call" লিখা থকা চুইচ টোলে তাৰ দৃষ্টি পৰিল। সময় নষ্ট নকৰি তাত তাৰ দীঘল হাত বুলাই দিলে। তেতিয়াও শিকলি বন্ধ কুকুৰটোৱে ভুকিবলৈ এৰা নাছিল। এক, দুই মিনিট কাটি যোৱাৰ পিচত-ধুনীয়া ভেল্ভেটৰ পৰ্দাখন ঠেলি এগৰাকী মহিলা ওলাই আহিল।

—"কাক বিচাৰিছে ?" চুটি প্ৰশ্নৰ পিচতে মহিলা গৰাকী স্বপ্নাভিভুত ব্যক্তিৰ দৰে নয়নৰ ফালে একেৰাহে চাই ৰ'ল। আৰু নয়ন ? নয়নৰ ওঠ যুৰি বাৰুকৈয়ে কঁপিছিল। নহয়, গোটেই মানুহজনেই কঁপিছিল আৰু জ্বৰে ঘমাদি ঘামিছিল।

—"প্ৰয়াসী" তাৰ কঁপা ওঠৰ মাজেৰে উচ্চাৰিত হল।



—"নয়নদা, তুমি নয়নদা নহয়নে ?" সি সন্মতি সূচক মূৰ দুপিয়ালে।

—"ময়ো তোমাক চিনি পাইছো প্ৰয়াসী।"

—"আহা নয়নদা, ভিতৰলৈ আহা। তোমাক যে মই কিমান দিন, কিমান বছৰৰ মূৰত দেখা পাইছো। কেনেকৈ আহিলাহি ইয়ালৈ ? আহা, আহাচোন ভিতৰলৈ।"

দুয়ো কোঠালীৰ ভিতৰলৈ সোমাই পৰিল। সুপৰি পাতিৰে সজাই থোৱা চোফা টেবুলবোৰ তাই এনেই এবাৰ জোকাৰি দি বহিবলৈ দিলে।

নয়ন কিন্তু এতিয়াহে আচল সপোন পুৰীত বৃ'ৰ গ'ল। এক অতি আভিজাত্য পৰিয়ালৰ বহা কোঠালী। কিমান যে সম্পতি আছে ইয়াতেই। প্ৰত্যেকখন খিৰিকীতেই দামী দামী পৰ্দা। ওচৰতে থকা সৰু অথচ অত্যন্ত চিকুণ আলমাৰীটোত যে কত ধৰণৰ বস্তু সজাই থোৱা আছে। ধুনীয়া ধুনীয়া পুতলা, খেল্না, ষ্টীলৰ পাত্ৰ, হাতে সজা ক'ত ধৰণৰ বস্তু, ডাঙৰ-ডাঙৰ কিতাপ পত্ৰ ইত্যাদি। বেৰত চাৰি খন ডাঙৰ ফটো। জৱাহৰলাল নেহৰু, সুভাষ চন্দ্ৰ বসু, জন্ কেনেডী আৰু এখন মহাত্মা গান্ধীৰ। এটা চুকত আকৌ এটা গ্লাচৰ ডাঙৰ পাত্ৰত মাছৰ পোনা কেইটা মান মেলি দিয়া আছে। তাৰ কাষতে টেলি-ভিচন্ চেট্। অইন একাষে বেৰত এলানি ফটো, নিশ্চয় সেয়া কোনোবা বিভল্যুচ্যনৰ ফটো। বগা চাহাবৰ কঢ়া নিৰ্দ্দেশ, সৈন্যবোৰৰ তৎপৰতা বোমা বাৰুদ বিস্ফোৰিত কৰাৰ দৃশ্য। টেবুল, আলমাৰীৰ ওপৰত সুন্দৰ ফুলদানী। টেবুলত সুন্দৰ ভমকা ফুলীয়া টেবুল ক্ল'থ। সেয়া নিশ্চয় প্ৰয়াসীৰেই নিপুন হাতৰ স্বাক্ষৰ। যি কোনো কামৰ প্ৰতিয়েই তাই খুব পাকৈত আছিল নহয়।

বিয়াৰ আগৰ তাইৰ নিজৰ ঘৰখনকেই তাই কম আদৰ যত্ন তথা পৰিপাতিৰে সজাই পৰাই ৰাখিছিল নে—।

নয়ন উভতি গ'ল বহু বছৰ আগৰ স্মৃতি খুচৰি। পুৰণি কথাই



OKDISCD

নয়নক পাহৰাই পেলালে বৰ্ত্তমান উপস্থিতিৰ কথা।

তেতিয়া নয়ন-প্ৰয়াসী একেখন স্কুলৰে ছাত্ৰ ছাত্ৰী,—সহপাঠী। প্ৰবেশিকা পৰীক্ষাৰ দুৱাৰ দলিৰ খুব ব্যস্ত এহাল যোড়স-যোড়সী। প্ৰয়াসী পঢ়াত খুব মেধাবী আছিল। কিন্তু তাতোকৈ মেধাবী আছিল নয়ন,- নয়ন বৰুৱা। সেই বুলি সিহঁতৰ মাজত কোনো অৰিয়া অৰি নাছিল। বৰং আছিল দুয়োৰে মাজত সংভাৱ ভাল বুজা পৰা। আনকি কেতিয়াবা কোনো দুবুজা পাঠৰ সন্মুখীন হলে, দুয়া একেলগে আলোচনা কৰি লৈ বুজিছিল। সেয়ে দুয়োৰে মাজত গঢ়ি উঠিছিল এক বিশেষ আন্তৰিকতা। নয়নে কৈছিল— "প্ৰয়াসী, মোৰ যদি এজনী ভনী থাকিলহেঁতেন - তেনেহলে তাই নিশ্চয় তোমাৰ দৰেই হ'লহেতেন।

—"কেনেকৈ ?"

—"কিয়, তুমি মোতকৈ কিছু সৰু নোছোৱা জানো ? আৰু জানা, তাইকযে মই কিমান মৰম কৰিলো হেঁতেন। মোৰ দুৰ্ভাগ্য। কপালত নাই যেতিয়া আৰু ক'ত হব।"

—"ঠিক আছে, মই তোমাক আজিৰ পৰা নিজৰ দাদা হিচাবে লম আৰু নয়নদা বুলি মাতিম। মোকেই তুমি নিজৰ ভনীৰ দৰে মৰম কৰিবা।"

—"সচাঁ, সঁচানে প্ৰয়াসী ?"

—"অ', সঁচাই কৈছো নয়নদা। পৃথিবীতনো আপোন পৰৰ কোন খিনিত পাৰ্থক্য আছে।" সেই দিনা নয়ন আনন্দত বাৰুকৈয়ে বলিয়া প্ৰায় হৈছিল।

মনৰ নিভৃত কোনত ৰোমন্থিত হ'ল নয়নৰ হেৰাই যাব খোজা অতীত স্মৃতিৰ পুৰণি কথা। সেইদিনা নয়নে প্ৰথম গৈছিল প্ৰয়াসী হঁতৰ ঘৰলৈ। গৈয়েই নয়নৰ নাকত এটি কেঁচা মাটিৰ গোন্ধ লাগিল। চৌদিশে চকু ফুৰালে। নয়নে দেখিলে বেচ পৰি পাতিৰে সজাই ৰখা এখনি ঘৰ। কতো যেন এখুদো আঁহ নাই।



সকলো কামতেই প্ৰয়াসীয়ে আগভাগলৈ নয়নৰ দেউতাকৰ সৈতে চিনাকী কৰি দিছিল। কবলৈ গলে দেউতাক সচাঁকৈয়ে খুব সহজ সৰল লোক। তেওঁৰ ব্যৱহাৰত নয়নৰ শ্ৰদ্ধা উপজিছিল। আহিবৰ সময়ত নয়নে দেউতাকৰ ভৰি চুই প্ৰণাম কৰি কৈছিল "যাওঁ গৈ খুৰাদেউ।"

—"যোৱা বাৰু। আহিবা। নিজৰ ঘৰৰ দৰে আহিবা। প্ৰয়াসীক নিজৰ ভনীৰ দৰে চাবা। তায়েই মোৰ ঘৰখনৰ একমাত্ৰ জেউতি। তাইৰ অনুপস্থিতিত এই ঘৰ খন দিনতেই এন্ধাৰ। সৰুতেই মাক ঢুকাল। মাকৰ মৰমৰ পৰা বঞ্চিতা হ'ল। কেতিয়াবা মই তাইৰ মুখৰ ফালে চাব নোৱাৰা হৈ পৰো, বোপাই। সকলো ফালেই নজৰ দিব লাগে। জানাই নহয়, গাঁৱলীয়া মানুহৰ ঘৰ এখনত কিমান কাম থাকে। মইটো সময়েই নাপাওঁ। সৰুতে মাতৃহাৰা হৈ বেচেৰী সাংসাৰিক সকলো আৱদাৰ বহন কৰি আকৌ তাইৰ পঢ়া শুনাওঁ কৰিব লাগে। দুখ লাগে কেতিয়াবা। কিন্তু উপায়তো নাই। দুখীয়াৰ দুখ কেতিয়াও নুগুছে। আমাৰো তেনেই হৈছে।"

দেউতাকৰ কথাৰ লগে লগে ওচৰতে থিয় হৈ থকা প্ৰয়াসীৰ দুচকুৰেদি লোতক বাগৰি আহিছিল।..................

—"নয়নদা।" প্ৰয়াসীৰ মাতত নয়ন উচগ খাই উঠিল।

—"হুঃ - অ' প্ৰয়াসী কি কৈছিলা ?"

—"কিবা চিন্তা কৰাযেন পাইছো।"

—"নহয়, মানে তোমাক বহুদিনৰ মূৰত দেখিছোতো,— সেয়ে তোমাক.........."

—"নিজকে খুব অপ্ৰস্তুত যেন লাগিছে নহয় নয়নদা ? মোৰ কথা বাদ দিয়াচোন। তোমাৰ কথা কোৱা ? কেতিয়া চাকৰিত সোমালা ? ইয়ালৈ কেনেকে আহিলা ?"

—"কম, কেলেই নকম। সকলো কম। এ— প্ৰয়াসী, তেখেত



OKDISCD

নাই নেকি ?"

—"নাই, এই মাত্ৰ বজাৰলৈ ওলাই গৈছে। আজি অফিচ নাই সেয়ে।

—"অ' বুজিছো।"

—"বুজিছো মানে কি বুজাৰ কথা কৈছা ?"

—"তেখেতে মোক চিনি পায়। আমি একে অফিচৰে মানুহ। আৰু মি: খাউণ্ডেই যে তোমাক বিয়া কৰালে মইতো ইমান দিনে জনাই নাছিলো। খাউণ্ড চাৰক মই কেতিয়াবাৰ পৰাই জানো।"

—"সচা নে ?"

—'এইটো কথাটো আকৌ কিবা মিছা থাকিব পাৰেনে। অৱশ্যে ইয়ালৈ আহিলো মই সিদিনা-দু- সপ্তাহ মান হ'ল হবলা। কেবল আজি মই চাৰৰ সৈতে কিবা এটা কথা আলোচনা কৰো বুলিহে আহিলো। আৰু আহি পালোহি তোমাক—।" দুয়ো উচ্চস্বৰে হাঁহি দিলে।

—"খুব ভাল কৰিলা নয়নদা। মোৰ যে কি ভাগ্য আজি। কিমান দিনৰ ব্যৱধানত পাইছো তোমাক। অ-ৰবাদেই। আকমান বহা চোন। চাহ কৰো।"

—"বহা, বহা খাম লাহে লাহে। প্ৰয়াসী তোমাক এটা কথা সোধাই নাই। তোমাৰ লৰা ছোৱালী ?"

—"নয়নদা, অৱশেষত তুমিও মোক সেইটো প্ৰশ্নই কৰিলা বহুতে কৰাৰ দৰে। যিটো প্ৰশ্নৰ পৰা সদায় মই আঁতৰত থাকিব বিচাৰো।" পুৰাৰ সুৰুযক এচমকা ক'লা ডাৱৰে হঠাত ঢাকি পেলোৱাৰ দৰে প্ৰয়াসী গম্ভীৰ হৈ পৰিল। নয়নো লগে লগে শিল পৰা কাপোৰৰ দৰে হ'ল। দোষী-দোষী ভাবেৰে সি তাইৰ মুখলৈ চাই ৰ'ল।

—"মই নিঃসন্তান নয়নদা।" চকুৰ পতাৰ পাৰ ভাঙি তীব্ৰতাৰে বাগৰি আহিছিল দুধাৰী নীৰ। প্ৰয়াসীৰ মসৃণ গাল দুখনি তিতি গ'ল বেদনাৰ চকুপানীৰে। বোধহয় নয়নৰ হৃদয় খনো সেই তিয়নিত সেমেকি



গৈছিল। প্ৰয়াসীৰ ওচৰত তাৰ ক্ষমা বিচাৰিবৰ মন গৈছিল।

—"যিয়ে মাকৰ মৰম চেনেহ কেনেকুৱা বুজিয়েই নাপালে, সেই ব্যক্তিয়ে বাৰু নিজে মাক হৈ নিজৰ সন্তানক কেনেকৈ মৰম কৰিব। ই অসম্ভৱ। ভগৱানৰ বিচাৰত কেতিয়াও ভুল নাই। এয়া প্ৰভুৰ আশীৰ্ব্বাদ, নয়নদা। ভগৱানক মই কেতিয়াও অবিশ্বাস নকৰো। মোৰ মাই মোক জন্মহে দিছিল, কিন্তু তেওঁ মোক তেওঁৰ অমিয় চেনেহ ঢালি, প্ৰতিপালন কৰি ডাঙৰ কৰিব পালেনে ? ঈশ্বৰে তেওঁক লৈ গ'ল হঠাতে ইহ সংসাৰৰ পৰা। আধৰুৱা হ'ল এখন সংসাৰ। মাতৃস্নেহৰ পৰা বঞ্চিতা হ'ল এটি সন্তান। সেই সন্তানেই এতিয়াও মাতৃত্বৰ পথত উপস্থাপিতা। অথচ মাতৃত্ব শূণ্য। নিঃসন্তান। এয়া আশীৰ্ব্বাদ নহয়-জানো নয়নদা, ভগৱানৰ আশীৰ্ব্বাদ। হয়তো মোৰ মাৰ আশীৰ্ব্বাদ।"

—"প্ৰয়াসী।" নয়নৰো অন্তৰৰ বান্ধ শিথিল হৈ আহিছিল। অনিমেষ নেমে কেৱল তাইৰ ফালে চায়েই ৰৈছিল সি। তাৰ দুচকুতো দুটোপাল চকুলো বিৰিঙি উঠিছিল।

—



OKDISCD